www.newsnextone.com
e সংবাদ

**পুনৰ মধ্য অসম বন্ধৰ হুংকাৰ প্ৰদান**

ই সংবাদ, জাগীৰোড, ৪ জানুৱাৰীঃ পুনৰ মধ্য অসম বন্ধৰ হুংকাৰ দিছে সদৌ তিৱা ছাত্ৰ সন্থাৰ ৩ পৃষ্ঠাত চাওক

**আজমেৰলৈ মোদীৰ চাদৰ প্ৰেৰণ**

নতুন দিল্লী, ৪ জানুৱাৰীঃ সমগ্ৰ দেশজুৰি অব্যাহত থকা মন্দিৰ-মছজিদ বিতৰ্কৰ উত্তেজনাৰ ৬ পৃষ্ঠাত চাওক

SUNDAY, JANUARY 05, 2025 ■ দেওবাৰ, ২০ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১ Guwahati, Assam ।। মূল্যঃ এটকা

### ১২০ কোটিটকীয়া দুৰ্নীতি উদঙাই দিয়াটোৱেই হ'ল অপৰাধ!

# বিজেপি শাসিত ছত্তীশগড়ত সাংবাদিকক হত্যা

ৰায়পুৰ, ৪ জানুৱাৰীঃ ছত্তীশগড়ৰ বিজাপুৰত এগৰাকী সাংবাদিকৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱাক লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। দুদিন ধৰি নিখোজ হৈ থকা



**শৌচাগাৰৰ টেংকিৰ পৰা উদ্ধাৰ হ'ল নিথৰ দেহ!**

সাংবাদিক মুকেশ চন্দ্ৰকাৰ (২৮)ৰ মৃতদেহ শুকুৰবাৰে বস্তাৰৰ এজন ঠিকাদাৰৰ ঘৰৰ চেপ্টিক টেংকৰ পৰা উদ্ধাৰ হোৱাৰ পিছতে সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্য শেষাংশ ৩ পৃষ্ঠাত

## অনুশাসন হওক সংগী!

■ ড০ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

খিৰিকিৰ ফাঁকেৰে কোঠাত প্ৰৱেশ কৰা বেলিৰ মিঠা আলোকেৰেই আৰম্ভ হয় শেষাংশ ২ পৃষ্ঠাত

## শিৱসাগৰ জিলা পৰিষদৰ বিষয়াৰ ঘৰত চিএম ভিজিলেন্স

**কেবাঘণ্টা ধৰি চলালে অভিযান**



ই-সংবাদ, শিৱসাগৰ, ৪ জানুৱাৰীঃ শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া তথা অসম প্ৰশাসনিক শেষাংশ ৪ পৃষ্ঠাত

## অৱশেষত চাকৰি গ'ল বিদেশী শিক্ষকৰ

ই-সংবাদ, ৪ জানুৱাৰীঃ ৰাজ্যৰ শিক্ষানুষ্ঠানত কৰ্মৰত দুই শিক্ষকক আজি বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বাংলাদেশৰ নাগৰিক বুলি দুই শিক্ষকক শেষাংশ ৫ পৃষ্ঠাত

## খাৰঘুলিৰ আৰু ২৩টাকৈ পৰিয়ালক দিলে ক্ষতিপূৰণ

ই-সংবাদ, গুৱাহাটী, ৪ জানুৱাৰীঃ ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ৰাজ্যৰ ৰাজধানী গুৱাহাটীৰ খাৰঘুলিৰ নামঘৰ ৬ পৃষ্ঠাত চাওক

### অষ্ট্ৰেলিয়াক অনুসৰণ! ১৮ অনুৰ্ধৰ নাবালকক লাগিব অভিভাৱকৰ অনুমতি

# ছ'চিয়েল মিডিয়াক লৈ ভাৰততো হ'ব নতুন নিয়ম

ই-সংবাদ বিশেষ, ৪ জানুৱাৰীঃ **১৮ বছৰৰ তলৰ শিশুৰ বাবে এতিয়াৰে পৰা বাধ্যতামূলক হ'ব পাৰে ফেচবুক আৰু ইনষ্টাগ্ৰামকে ধৰি অন্যান্য ছ'চিয়েল মিডিয়া** শেষাংশ ৩ পৃষ্ঠাত



## তিনি দিনীয়াকৈ কৃষি বিশ্ববিদ্যালয়ত আৰম্ভ কৃষি মেলা




ই-সংবাদ, যোৰহাট ৪ জানুৱাৰীঃ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক সামৰি অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা শেষাংশ ৭ পৃষ্ঠাত

## দুলীয়াজানত ধৃত ৪ জন আলফাৰ 'চি' কোম্পানীৰ সদস্য

ই-সংবাদ, ৪ জানুৱাৰীঃ নামৰূপস্থিত আৰক্ষীৰ উপ-অধীক্ষক প্ৰাণজিৎ দাস আৰু দুলীয়াজান থানাৰ পৰিদৰ্শক ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ অখিলৰ

ই-সংবাদ, ৪ জানুৱাৰীঃ বছৰৰ পহিলা দিনটোত মুখ্যমন্ত্ৰীয়ে কইনাধাৰাত 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেল সম্বোধন কৰি বিৰোধী দলকো আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। হিমন্ত বিশ্ব শৰ্মাই ঋণ লৈ চৰকাৰ চলাই থকা বুলি বিৰোধীয়ে উত্থাপন কৰি অহা অভিযোগৰ প্ৰত্যুত্তৰ দি অসমৰ বিত্তীয় পৰিৱেশ সুস্থিৰ আৰু ২০২৮ চনলৈ অসমৰ অৰ্থনীতি মিলিয়ন শেষাংশ ৫ পৃষ্ঠাত

## শ্বেৰমান আলীৰ বিধায়ক পদ অক্ষুন্ন!

ই-সংবাদ, ৪ জানুৱাৰীঃ শ্বেৰমান আলী আহমেদৰ বিধায়ক পদ খাৰিজ নহয়। আজি এই কথা চূড়ান্ত কৰিলে অসম বিধানসভাৰ ৩ পৃষ্ঠাত চাওক



তিতাবৰত গাঁৱত অমানৱীয়তা

## এঘৰীয়া! দিনটো চোতালতে পৰি ৰ'ল যুৱকৰ মৃতদেহ

ই-সংবাদ, তিতাবৰ, ৪ জানুৱাৰীঃ তিতাবৰৰ ফালেঙীচুকত শৈক্ষিক সমাজক লজ্জানত কৰা এক শেষাংশ ২ পৃষ্ঠাত

### জনতা ভৱন ঘেৰাও কৰাৰ প্ৰয়াস আহোম সংগঠনৰ

# এইবাৰ 'টাইপা'ৰ শৰাইঘাটৰ ৰণ

ই-সংবাদ, ৪ জানুৱাৰীঃ গুৱাহাটীত আকৌ এক শৰাইঘাটৰ ৰণ কৰাৰ হুংকাৰ দিছে টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপাই। টাই-আহোম



জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান আৰু পূৰ্ণাংগ স্বায়ত্ব শাসিত পৰিষদ গঠনৰ দাবীত আজি জনতা ভৱন ঘেৰাও শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অনুশাসন হওক সংগী!

প্ৰতিদিনেই মোক সোঁৱৰাই দিয়ে- প্ৰতিটো দিনেই মোৰ বাবে নতুন সুযোগ। কিন্তু এই সুযোগ মই কিদৰে ব্যৱহাৰ কৰিম সেয়া নিৰ্ভৰ কৰে মই লোৱা প্ৰতিটো সিদ্ধান্তৰ ওপৰত। পুৱা সোনকালে শোৱাপাতি এৰাৰ পৰা নিশা পুনৰ শেতেলীত পৰালৈকে প্ৰতিটো দিনেই মোৰ বাবে নিৰ্ধাৰিত। পুৱাৰ বাতৰি কাকতখন লৈ বাৰান্দাত বহাৰ পৰা আৰম্ভ কৰি দিনটোৰ অন্তিমটো কাম সামৰালৈকে মই অনুশাসনৰ মাজেৰে চলো। সেয়ে কেতিয়াবা ভাবো- যদি মোৰ জীৱনৰ পৰা অনুশাসন নোহোৱা হৈ যায়, তেতিয়া কি হ'ব? মই নিশ্চিত, এনে হ'লে মই সময়মতে শোৱাপাতি এৰিব নোৱাৰিম। যাৰ ফলত মোৰ কৰিবলগীয়া কামৰ তালিকাখনত অগা-পিছা হ'ব আৰু পৰিণামস্বৰূপে অস্থিৰ আৰু ভাগৰুৱা মনেৰেই মোৰ প্ৰতিটো দিনৰ অন্ত পৰিব!

জীৱনৰ প্ৰতিটো মুহূৰ্ততে অনুশাসন মোৰ সংগী। এই অনুশাসনেই নীৰৱে সঠিক দিশত পৰিচালিত কৰি আহিছে মোৰ প্ৰতিটো সিদ্ধান্ত, এটা সুন্দৰ আৰু সুখময় দিন পাৰ কৰাত প্ৰতিদিনে মোক সহায় কৰি আহিছে।

অনুশাসন জীৱনৰ এক অপৰিহাৰ্য অংগ। এয়া কেৱল এক অভ্যাস নহয়; এয়াই হৈছে জীৱনৰ মৌলিক ভেটি। বহু সময়ত আমি পাহৰি পেলাও যে অনুশাসন আমাৰ জীৱনৰ বাবে কিমান গুৰুত্বপূৰ্ণ। অথচ আমাৰ দৈনন্দিন কামবোৰ যেনে, সময়ত শোৱাপাতি এৰা, সঠিক পৰিকল্পনা কৰা আৰু আমাৰ কামৰ প্ৰতি জবাবদিহি হোৱা- এনে প্ৰতিটো কামেই অনুশাসনৰ ফচল। যদি এই অনুশাসনবোধ নাথাকে তেন্তে জীৱনৰ প্ৰতিটো কামেই বিশৃংখলতালৈ পৰিণত হ'ব।

অনুশাসনৰ অভাৱে কেৱল ব্যক্তিগত জীৱনকে নহয়, সমাজ জীৱনকো প্ৰভাৱিত কৰে। সুশৃংখলিত সমাজ মানে উন্নত সমাজ। উদাহৰণস্বৰূপে যান-বাহনৰ নিয়ম মানি চলাটো এটা সাধাৰণ অনুশাসনৰ উদাহৰণ। ৰাজপথত অনুশাসন মানি নচলিলে বিশৃংখলতাৰ সৃষ্টি হ'ব, যাৰ পৰিণাম হ'ব দুৰ্ঘটনা, মৃত্যু, আঘাত। ঠিক তেনেদৰে সামাজিক জীৱনত যদি কোনো অনুশাসন নাথাকে তেন্তে সমাজৰ প্ৰতিটো স্তৰতে অস্থিৰতাৰ সৃষ্টি হোৱাটো নিশ্চিত।

ছাত্ৰ জীৱনত অনুশাসনৰ গুৰুত্ব আৰু গভীৰ। এয়া হৈছে ছাত্ৰ-ছাত্ৰীক সময়ৰ সঠিক ব্যৱহাৰ আৰু অধ্যৱসায়ৰ জৰিয়তে লক্ষ্যত উপনীত হোৱাৰ কৌশল। পৰীক্ষাৰ প্ৰস্তুতিৰ সময়ত যদি কোনো শিক্ষাৰ্থীয়ে অনুশাসিতভাৱে সময় পৰিচালনা কৰিব নোৱাৰে তেন্তে তেওঁৰ ফলাফল সুখদায়ক হ'ব বুলি আশা নকৰাই ভাল। অনুশাসনৰ অভাৱ মানেই তেওঁলোকৰ অধ্যয়নৰ প্ৰতি আগ্ৰহৰ অভাৱ আৰু ব্যৰ্থতা।

ইয়াৰ বিপৰীতে অধ্যয়নৰ বাবে এক নিৰ্দিষ্ট ৰুটিন প্ৰস্তুত কৰি অনুশাসনৰ পথ বাছি লোৱা শিক্ষাৰ্থীৰ বাবে জীৱনৰ বাট সহজ হৈ পৰে। কেৱল প্ৰতিষ্ঠানিক শিক্ষাতেই নহয়, ভৱিষ্যতৰ কেৰিয়াৰতো এই অনুশাসনে তেওঁলোকৰ বাবে সাফল্যৰ বাট মুকলি কৰিব পাৰে। অনুশাসনৰ আঙুলিত ধৰি খোজ কঢ়া প্ৰতিজন ব্যক্তিয়েই কৰ্মক্ষেত্ৰত গঢ়ি তুলিব পাৰে এক সুকীয়া পৰিচয়।

দৰাচলতে জীৱনৰ প্ৰতিটো দিশতে প্ৰয়োজন হয় অনুশাসনৰ। আপুনি যি কামেই নকৰক, সুশৃংখলাবদ্ধভাৱে সেয়া সম্পন্ন কৰিবলৈ আপোনাক প্ৰয়োজন হ'ব অনুশাসনৰ। এজন ব্যৱসায়ীয়ে নিজৰ দৈনন্দিন কামবোৰ সময়মতে সম্পূৰ্ণ কৰিব নোৱাৰিলে তেওঁৰ ব্যৱসায় কেতিয়াও সফল নহ'ব। একেদৰে এজন খেলুৱৈৰ সফলতাৰ চাবিকাঠি নিহিত হৈ থাকে তেওঁলোকৰ দৈনন্দিন অনুশীলনত।

পৰিয়ালতো অনুশাসন অতি প্ৰয়োজনীয়। যদি এটা পৰিয়ালৰ প্ৰতিজন সদস্যই অনুশাসিত জীৱন যাপন কৰে তেন্তে সেই পৰিয়ালটো সুখী আৰু সুস্থ হৈ থাকে। পাৰস্পৰিক দায়বদ্ধতা আৰু সময়ৰ প্ৰতি সন্মানে পৰিয়ালৰ বন্ধন অধিক শক্তিশালী কৰি তোলে।

অনুশাসনে জীৱনৰ প্ৰতিটো মুহূৰ্তক বহুমূলীয়া কৰি তোলে। ই আমাক সেই শিক্ষা দিয়ে যে জীৱনৰ প্ৰতিটো কাম কেনেকৈ গুৰুত্বসহকাৰে কৰিব লাগে। অনুশাসন হৈছে এনে এক অভ্যাস যিয়ে সময় ব্যৱস্থাপনা শিকায়, আমাৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে, জীৱনৰ প্ৰতিটো দিশতে সফলতাৰ পথ প্ৰশস্ত কৰে। অনুশাসনৰ অভাৱ এখন লক্ষ্যহীন নাওৰ দৰেই; ই কেৱল সময় নষ্ট কৰাই নহয়, আমাৰ জীৱনৰ গুৰুত্বপূৰ্ণ মুহূৰ্তবোৰো অপ্ৰয়োজনীয় বিশৃংখলতাৰ মাজলৈ ঠেলি লৈ যায়।

জীৱনত সফলতাৰ বাবে অনুশাসন অতি গুৰুত্বপূৰ্ণ। যদি কোনো ছাত্ৰই নিয়ম অনুসৰি পঢ়া নাই তেন্তে পৰীক্ষাৰ সময়ত মানসিক চাপ অনুভৱ কৰিব। একেদৰে কোনো খেলুৱৈয়ে যদি প্ৰতিদিনে নিয়মীয়াকৈ অনুশীলন নকৰে তেন্তে প্ৰতিযোগিতাত জয়ী হোৱাৰ সম্ভাৱনা কমি যাব। অনুশাসন হৈছে জীৱনৰ সেই সেতু যিয়ে আমাৰ সপোন আৰু বাস্তৱক সংযোগ কৰে।

অনুশাসনৰ উদাহৰণ হ'ল আমাৰ শাৰীৰিক স্বাস্থ্য। নিয়মিত ব্যায়াম, উপযুক্ত সময়ত খাদ্য গ্ৰহণ, পৰ্যাপ্ত টোপনি আমাৰ শৰীৰ আৰু মনৰ বাবে অতি প্ৰয়োজনীয়। সেয়ে এটা সুস্থ আৰু সুখী জীৱনৰ বাবে সদায়েই প্ৰয়োজন অনুশাসনৰ।

অনুশাসন জীৱনৰ এক অদৃশ্য শক্তি যিয়ে আমাৰ প্ৰতিটো খোজকে সঠিক বাট দেখুৱায়। এয়া কেৱল অভ্যাস নহয়, এয়া হৈছে এক প্ৰকাৰৰ মানসিকতা যিয়ে আমাৰ দৈনন্দিন জীৱনক শৃংখলাবদ্ধ আৰু পৰিপূৰ্ণ কৰি তোলে। যেতিয়া আমি অনুশাসনক আমাৰ জীৱনৰ অংশ কৰি লওঁ তেতিয়া আমাৰ কৰ্মৰ ওপৰত এক প্ৰকাৰৰ নিয়ন্ত্ৰণ থাকে, যিয়ে আমাৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। ই কেৱল আমাৰ ব্যক্তিগত বিকাশৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, বৃহত্তৰ সমাজত শৃংখলা আৰু স্থিৰতাৰ বাবেও অতি প্ৰয়োজনীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এঘৰীয়া! দিনটো চোতালতে পৰি ৰ'ল

অমানৱীয় ঘটনা সংঘটিত হয়। ফালেঙীচুকৰ দিগন্ত বৰা নামৰ এজন ৩৫ বছৰীয়া যুৱকৰ মৃতদেহ স্ব-গৃহৰ চোতালতে ঘণ্টাৰ পিছত ঘণ্টা পৰি ৰোৱা এক দুৰ্ভাগ্যজনক ঘটনা পোহৰলৈ আহিছে। দুৰ্ভগীয়া পৰিয়ালটোত এঘৰীয়া কৰি ৰখাৰ অজুহাতত গাঁৱৰ সমাজৰ কোনো লোক যুৱকজনৰ মৃতদেহটো সংকাৰ কৰিবলৈ আগবাঢ়ি নাহিল বুলি গুৰুত্বৰ অভিযোগ উত্থাপন হৈছে। ফলত একমাত্ৰ পুত্ৰৰ মৃতদেহ কেইবা ঘণ্টা ধৰি চোতালতে পৰি থকা অৱস্থাতে চাই পাৰ কৰিব লগীয়া হয় বৃদ্ধা মাতৃগৰাকীয়ে। জানিব পৰা মতে প্ৰায় দুবছৰ পূৰ্বে দিগন্ত বৰা নামৰ যুৱকজনে মদ্যপান কৰি সমাজৰ একাংশ ব্যক্তিৰ লগত তৰ্কত লিপ্ত হোৱাৰ বাবেই সমাজে পৰিয়ালটোক এঘৰীয়া কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত নিজৰ ভুলৰ শুধৰনি বিচাৰি সমাজৰ আগত তামোল-পাণ দি ক্ষমা বিচৰাৰ পাছতো সমাজে পৰিয়ালটোক আঁকোৱালি লোৱা নাছিল বুলি জানিব পৰা গৈছে। আনৰ মৃত্যুত সংকাৰৰ সময়ত সহায়ৰ বাবে সদায় আগবাঢ়ি যোৱা দিগন্ত বৰাৰ মৃত্যুত কোনো এজন লোকে খবৰ এটা ল'বলৈও নাহিল বুলি অতি দুখেৰে প্ৰকাশ কৰিছে পৰিয়ালৰ একাংশ লোকে। পিছত বীৰ লাচিত সেনাৰ মাধপুৰ আঞ্চলিক সমিতিৰ একাংশ বিষয়ববীয়া, কৰ্মী আৰু বংশ পৰিয়ালৰ লোকে যুৱকজনৰ নশ্বৰদেহ সংকাৰ কৰি পৰিয়ালটোক উদ্ধাৰ কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি শাসিত ছত্তীশগড়ত

বিয়পি পৰে। জানিব পৰা মতে, নতুন বছৰৰ পহিলা জানুৱাৰীৰ পৰা সন্ধানহীন হৈ আছিল সাংবাদিকগৰাকী। আৰক্ষীৰ সূত্ৰ অনুসৰি মুকেশে এখন ৰাষ্ট্ৰীয় কাকতত কাম কৰি আছিল আৰু বস্তাৰৰ ১২০ কোটি টকাৰ পথ প্ৰকল্পত দুৰ্নীতিৰ বাতৰি প্ৰকাশ কৰিছিল। তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছিল ঠিকাদাৰ সুৰেশ চন্দ্ৰশেখৰৰো নাম। এই দুৰ্নীতিৰ খবৰ পোহৰলৈ অহাৰ পিছত প্ৰশাসনে তদন্তৰ নিৰ্দেশ দিয়ে। লক্ষণীয় যে, মুকেশৰ জ্যেষ্ঠ ভাতৃও এগৰাকী সাংবাদিক। মুকেশ নিৰুদ্দেশ হোৱাৰ পিছত জ্যেষ্ঠ ভাতৃয়ে আৰক্ষীক এজাহাৰ দাখিল কৰে। এই এজাহাৰত ঠিকাদাৰ সুৰেশৰ বিৰুদ্ধে হত্যাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে জনোৱা মতে, চেপ্টিক টেংকৰ পৰা উদ্ধাৰ হোৱা মৃতদেহটোৰ প্ৰাৰম্ভিক তদন্তত মুকেশক হত্যা কৰাৰ লগতে চেপ্টিক টেংকৰ মুখ বন্ধ হৈ থকা বুলি জানিব পৰা গৈছে। মুকেশৰ ভাতৃয়ে দাবী কৰে যে ১২০ কোটি টকাৰ দুৰ্নীতিৰ খবৰ প্ৰকাশ কৰাৰ পিছৰে পৰা মুকেশে নিয়মীয়াকৈ ভাবুকি লাভ কৰি আহিছিল। ঠিকাদাৰ সুৰেশ আৰু আন তিনিজন লোকে সাংবাদিকগৰাকীক প্ৰদান কৰি আহিছিল ভাবুকি।বিজাপুৰৰ আৰক্ষী অধীক্ষক জিতেন্দ্ৰ যাদৱে জনোৱা মতে, মুকেশৰ শৰীৰত একাধিক আঘাতৰ চিন আছে। তদন্তত মুকেশৰ মোবাইল ফোনটোৰ লোকেশ্যন চিনাক্ত কৰি ঠিকাদাৰ সুৰেশৰ ঘৰৰ চেপ্টিক টেংকৰ পৰা উদ্ধাৰ কৰে মৃতদেহটো। ঠিকাদাৰৰ কৰ্মচাৰীসকলকো সোধা-পোছা কৰা হ'ব, আৰু শেহতীয়াকৈ কোনো খবৰ মুকেশৰ মৃত্যুৰ সৈতে জড়িত নেকি সেই বিষয়ে তদন্ত কৰা হ'ব। এই ঘটনাত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। মন কৰিবলগীয়া যে, 'বস্তাৰ জংচন' নামৰ এটা ইউটিউব চেনেল চলাই আছিল মুকেশ চন্দ্ৰকাৰে। এই চেনেলযোগেও বস্তাৰৰ বিভিন্ন কেলেংকাৰী আৰু সামাজিক বিষয় উত্থাপন কৰি আহিছিল সাংবাদিকজনে। তদন্তৰ অন্তত আৰক্ষীয়ে হায়দৰাবাদৰ পৰা ঠিকাদাৰ সুৰেশক গ্ৰেপ্তাৰ কৰাৰ লগতে মুকেশৰ মৃতদেহ লুকুৱাই ৰথাত সহায় কৰা এজন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী বিষ্ণুদেও সাইয়ে ঘটনাক লৈ শোক প্ৰকাশ কৰি কয় যে এই কাণ্ডৰ সৈতে জড়িতৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। স্থানীয় সূত্ৰ অনুসৰি ঠিকাদাৰ সুৰেশ বস্তাৰৰ এজন অতি প্ৰভাৱশালী ব্যক্তি আৰু তেওঁৰ বিৰুদ্ধে মাত মাতিবলৈ কোনেও সাহস নকৰে। যাৰ বাবে সাংবাদিকজনৰ হত্যাৰ নিৰপেক্ষ তদন্তৰ ওপৰতো অনেকে সন্দেহ প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছ'চিয়েল মিডিয়াক লৈ

প্লেটফৰ্মত একাউণ্ট খোলাৰ ক্ষেত্ৰত অভিভাৱকৰ অনুমতি। এনে প্ৰস্তাৱ কেন্দ্ৰৰ ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩ৰ খচৰাত উত্থাপন কৰা হৈছে। শুকুৰবাৰে মোদী চৰকাৰে খচৰা প্ৰকাশ কৰাৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ মতামত ল'বলৈ অনলাইনযোগে মতামত বিচাৰিছে আই টি মন্ত্ৰালয়ে। উল্লেখ্য যে, ইতিমধ্যে অষ্ট্ৰেলিয়াই ১৬ বছৰৰ অনুৰ্ধ্ব সকলৰ বাবে ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নতুন প্ৰস্তাৱ অনুসৰি শিশু আৰু কিশোৰ-কিশোৰীসকলে ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কঠোৰ নিয়ম প্ৰৱৰ্তন কৰা হ'ব। অভিভাৱকৰ অনুমতি অবিহনে ১৮ বছৰৰ তলৰ কোনোৱেই ছ'চিয়েল মিডিয়া একাউণ্ট খুলিব নোৱাৰিব। ইফালে এই বিষয়টোৰ সুবিধা-অসুবিধা সম্পৰ্কে সাধাৰণ জনতাৰ মতামত বিচৰা হৈছে। নাগৰিকে MyGov.in ত গৈ নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, যিটো ১৮ ফেব্ৰুৱাৰীৰ ভিতৰত জমা দিব লাগিব। খচৰাখনত লগতে কোৱা হৈছে যে যদি কোনো নাবালকৰ ব্যক্তিগত তথ্য ছ'চিয়েল মিডিয়াত ফাদিল হয় তেন্তে ব্যৱহাৰকাৰীয়ে সংশ্লিষ্ট প্লেটফৰ্মৰ পৰা ডিলিট কৰিবলৈ দাবী কৰিব পাৰে। যদি কোনো তথ্য ফাদিল হয় তেন্তে ব্যৱহাৰকাৰীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্মৰ পৰা ২.৫ বিলিয়ন টকাৰ জৰিমনাও দাবী কৰিব পাৰে। ইয়াৰ উপৰিও তথ্য বিনিময়ৰ ক্ষেত্ৰত স্বচ্ছতা বজাই ৰখাৰ কথাও চৰ্চা হৈছে। এই আইনৰ খচৰা অনুসৰি ছ'চিয়েল মিডিয়াত যাতে ব্যক্তিগত তথ্য ফাদিল নহয় তাৰ বাবে নিৰাপত্তা ব'ৰ্ড গঠন কৰা হ'ব। সেই ব'ৰ্ডে তদন্ত কৰি জৰিমনাৰ পৰিমাণ নিৰ্ধাৰণ কৰিব। কিন্তু এই খচৰা আইন সলনি হ'ব পাৰে, কিয়নো জনমতৰ প্ৰতি লক্ষ্য ৰাখি চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বেৰমান আলীৰ বিধায়ক পদ অক্ষুন্ন!

অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ চূড়ান্ত ৰায়দানৰ পিছত বাঘবৰৰ বিধায়ক শ্বেৰমেন আলীৰ বিধায়ক পদ ৰক্ষা পৰে। সাংসদ ৰাকিবুল হুছেইন আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আনুষ্ঠানিকভাৱে জনোৱা আবেদনৰ ভিত্তিত বিধায়ক পদৰ পৰা অযোগ্যতাৰ বাবে শুনানি অনুষ্ঠিত হৈছিল। ৰকিবুল হুছেইনে অধ্যক্ষক দলীয় অনুশাসন উলংঘনৰ অভিযোগত শ্বেৰমান আহমেদৰ বিধায়কৰ মৰ্যাদা প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছিল। আনহাতে শইকীয়াইও একে ধৰণৰ আবেদন দাখিল কৰিছিল। পূৰ্বে আৰু পুনৰ আজি শুনানি অনুষ্ঠিত কৰি অধ্যক্ষই আহমেদৰ পক্ষত ৰায় দিয়ে আৰু বিধায়ক পদ অব্যাহত থাকিব বুলি কয়। এই সিদ্ধান্তৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি আহমেদে কয় যে যেতিয়া এজন সঠিক পথত থাকে, বাধা অহাটো অনিবাৰ্য। কিন্তু ধাৰ্মিক পথত দৃঢ়তাই ঈশ্বৰ বা আল্লাৰ পৰা সমৰ্থন পোৱাটো নিশ্চিত কৰে। অধ্যক্ষৰ নিৰপেক্ষতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে অধ্যক্ষৰ সততাৰ ওপৰত মোৰ সদায় বিশ্বাস আছে। খিলঞ্জীয়া লোকসকল সৰল আৰু স্পষ্টবাদী। তেওঁৰ পক্ষপাতহীন বিচাৰৰ বাবে মই তেওঁক ধন্যবাদ জনাইছো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ মধ্য অসম বন্ধৰ হুংকাৰ প্ৰদান

চেনিৰাম মালাং গোটে। জাগীৰোডৰ গোভাত ভাৰতীয় বায়ুসেনাৰ অস্ত্ৰ ভাণ্ডাৰ নিৰ্মাণ আৰু জাগীৰোডক মহানগৰলৈ উন্নীত কৰাৰ বিৰোধিতাৰে কেইবালানিও কাৰ্যসূচী ঘোষণা কৰিছিল সদৌ তিৱা ছাত্ৰ সন্থাই। শনিবাৰে এক কাৰ্যসূচী হাতত লৈ সদৌ তিৱা ছাত্ৰ সন্থাই সদৌ তিৱা সুৰক্ষা সমিতি, তিৱা মহিলা সমাজ আৰু সদৌ অসম ট্ৰাইবেল বেল্ট ব্লক এণ্ড লেণ্ড প্ৰটেকচন সমিতিৰ উদ্যোগত জাগীৰোডত ৰূপায়ণ কৰে ১ ঘন্টীয়া প্ৰতিবাদী সমদল। বিশেষকৈ জাগীৰোডক মহানগৰলৈ সম্প্ৰসাৰণৰ সিদ্ধান্ত বন্ধ কৰা আৰু ঐতিহাসিক গোভাত বায়ুসেনাৰ অস্ত্ৰ ভাণ্ডাৰ স্থাপনৰ হঠকাৰী সিদ্ধান্ত বাতিল নকৰিলে অতি শীঘ্ৰে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰে সদৌ তিৱা ছাত্ৰ সন্থাৰ লগতে প্ৰতিবাদী লোকে। আনহাতে মাঘ বিহুৰ পূৰ্বে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আলোচনাত মিলিত নহ'লে পুনৰ মধ্য অসম বন্ধৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকিয়নী প্ৰদান কৰে সদৌ তিৱা ছাত্ৰ সন্থাৰ চেনিৰাম মালাং গোটে। আনহাতে প্ৰতিবাদী সমদলৰ পিছত মৰিগাঁও জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ তিৱা ছাত্ৰ সন্থাৰ লগতে সহযোগী সংগঠনসমূহৰ স্বাক্ষৰিত কেইবাদফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# শিৱসাগৰ জিলা পৰিষদৰ

সেৱাৰ জ্যেষ্ঠ বিষয়া অশ্বিনী কুমাৰ দলেৰ চৰকাৰী কাৰ্যালয় আৰু বাসগৃহত আজি পুঁৱাৰে পৰা চিএম ভিজিলেন্সৰ এটা দলে অভিযান চলোৱাৰ ঘটনাই সমগ্ৰ জিলাখনতেই তুমুল চাঞ্চল্যৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীৰ তদাৰকী গোটৰ এগৰাকী উপ আৰক্ষী অধীক্ষকৰ নেতৃত্বত অহা ছয়জনীয়া এটা দলে বিষয়া গৰাকীৰ চৰকাৰী বাসগৃহ আৰু কাৰ্যালয়ত দীৰ্ঘ আঠ ঘন্টা জোৰা নিৰন্তৰ অভিযান চলোৱাৰ ঘটনাই শিৱসাগৰবাসীৰ মাজত কৌতূহল সৃষ্টি কৰিছিল। অৱশ্যে আঠঘন্টা জোৰা অভিযানত অভিযানকাৰী দলটোৱে বিষয়াগৰাকীক আটক কৰিব নোৱাৰাৰ লগতে বিষয়াগৰাকীৰ দুয়োটা স্থানৰ পৰা অভিযানকাৰী দলটোৰ কামত আহিব পৰা তেনে কোনো আপত্তিজনক নথি-পত্ৰ অথবা নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। গুৱাহাটীৰ পৰা সদলবলে বিষয়াগৰাকীৰ বিৰুদ্ধে অভিযান চলাবলৈ অহা চিএম ভিজিলেন্সৰ দলটোৱে অৱশেষত বিষয়াগৰাকীক নিজৰ জিম্মাত ল'ব পৰা তেনে কোনোধৰণৰ আপত্তিজনক সা-সম্পত্তি অথবা দস্তাবেজ লাভ নকৰি নিজ কাৰ্যালয়তে মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকীক এৰি গুৱাহাটীলৈ উভতি যোৱাৰ ঘটনাৰ আঁৰত এক গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ নিহিত থকাৰ সন্দেহ প্ৰকাশ কৰিছে বিভিন্নজনে। আনকি এই অভিযানৰ দ্বাৰা বিষয়াগৰাকীক আতংকগ্ৰস্ত কৰি তোলাৰ এইয়া এক ব্লু প্ৰিন্টৰ অংশ বিশেষ বুলিহে ব্যাপক চৰ্চা আৰম্ভ হৈছে। উল্লেখ্য যে ১৯৯৭ বৰ্ষৰ অসম অসামৰিক সেৱাৰ বিষয়া অশ্বিনী কুমাৰ দলেই আজিৰ পৰা আঢ়ৈ বছৰৰ পূৰ্বে শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ দায়িত্বভাৰ লাভ কৰিছিল। মিচিং চলচিত্ৰ জগতৰ এগৰাকী জনপ্ৰিয় অভিনেতা তথা ৰাষ্ট্ৰীয় মানৰ মাৰাথান দৌৰবিদ অশ্বিনী কুমাৰ দলেই শেহতীয়াকৈ ৰাজমাই পশুধন বজাৰক কেন্দ্ৰ কৰি দীৰ্ঘ সময় ধৰি চলি অহা গৰুৰ চিণ্ডিকেট উৎখাত কৰি এক প্ৰকাৰৰ চিণ্ডিকেট চক্ৰৰ লক্ষ্য হৈ পৰিছিল বুলি বিভিন্ন মহলে ক'ব বিচাৰে। স্মৰ্তব্য যে প্ৰাক্তন কংগ্ৰেছী বিধায়িকা সুমিত্ৰা পাতিৰৰ ভাতৃ অশ্বিনী কুমাৰ দলেৰ বিৰুদ্ধে দীৰ্ঘ সময় ধৰি ৰাজনৈতিক কুচকাৱাজ চলাই অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। জানিব পৰা মতে আগন্তক ২৬ৰ বিধানসভাৰ নিৰ্বাচনত ঢকুৱাখনা সমষ্টিৰ পৰা জাতীয় কংগ্ৰেছৰ প্ৰাথী হিচাপে প্ৰতিদ্বন্দিতাত নামিব বুলি তুমুল চৰ্চা অব্যাহত থকাৰ সময়তেই আজি পুৱা দলেৰ শিৱসাগৰৰ কেন্দ্ৰীয় বজাৰৰ সমীপত থকা চৰকাৰী বাসগৃহত উপস্থিত হয় মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দলটো। ১/২০২৫ নম্বৰৰ এটা গোচৰ পঞ্জীয়নৰ পত্ৰ লৈ দলেৰ বাসগৃহত উপস্থিত হোৱা দলটোক বিষয়াগৰাকীয়ে পূৰ্ণ সহযোগিতা আগবঢ়ায়। পুৱা প্ৰায় আঠ বজাত অশ্বিনী কুমাৰ দলেৰ বাসগৃহত প্ৰৱেশ কৰা দলটোৱে বিষয়াগৰাকীক ড্ৰয়িং ৰুমত বহুৱাই বিয়লি আঢ়ৈ বজা পৰ্যন্ত অভিযান চলায়। ইয়াৰ মাজতে দলটোৱে বিষয়াগৰাকীৰ চৰকাৰী বাহনখনতো তন্ন-তন্নকৈ তালাচী চলাই যদিও কোনো আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। এনেদৰে ছজনীয়া বিষয়াৰ দলটোৱে বিয়লি দুই বজা পৰ্যন্ত অভিযান চলাই কোনো সামগ্ৰী অথবা নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম নোহোৱাত এইবাৰ অশ্বিনী কুমাৰ দলেক লগত লৈ জিলা পৰিষদৰ কাৰ্য্যালয়ত উপস্থিত হয়গৈ। ইয়াতো প্ৰায় ডেৰ ঘন্টা তালাচী চলাই যদিও কোনো আপত্তিজনক সামগ্ৰী অথবা নগদ উদ্ধাৰত ব্যৰ্থ হয়। পৰৱৰ্তী সময়ত বিয়লি প্ৰায় চাৰি মান বজাত মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকীক কাৰ্যালয়তে এৰি সাংবাদিকৰ কোনো প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ শিৱসাগৰ ত্যাগ কৰে তদন্তকাৰী দলটোৱে। এক সূত্ৰই জানিবলৈ দিয়া মতে আজি একে সময়তে বিষয়াগৰাকীৰ গুৱাহাটীস্থিত বাসগৃহ আৰু গোগামুখৰ পৈত্ৰিক গৃহতো আন দুটা ভিজিলেন্সৰ দলে অভিযান চলাই যদিও কোনো আপত্তিজনক সামগ্ৰীৰেই সন্ধান নোলাল। ঢকুৱাখনা সমষ্টিত সৰ্বাধিক জনপ্ৰিয়তা অৰ্জন কৰা অশ্বিনী দলেক আগন্তুক দিনত অৱনমিত কৰাৰ কৌশল হিচাবে প্ৰচণ্ড মানসিক চাপ আৰু আতংকগ্ৰস্ত কৰি ৰাজনৈতিক ক্ষেত্ৰখনৰ পৰা উৎখাত কৰাই আজিৰ অভিযান আছিল বুলি শিৱসাগৰত মুকলি চৰ্চা চলিছে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# এইবাৰ 'টাইপা'ৰ শৰাইঘাটৰ ৰণ

কৰিবলৈ অহা কেইবা শতাধিক টাই-আহোম জনগোষ্ঠীৰ লোকে গুৱাহাটীত আকৌ শৰাইঘাটৰ ৰণ কৰাৰ হুংকাৰ প্ৰদান কৰে। আজি দিছপুৰৰ লাষ্টগেটত টাই-আহোম জনগোষ্ঠীৰ কেইবা শতাধিক লোকে জনতা ভৱন ঘেৰাও কৰিবলৈ ওলাই অহাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষীয়ে বাধা দিয়াত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰে পৰা শ-শ লোক সমবেত হ'বলৈ ধৰাত বেৰিকেড লগাই আৰক্ষীৰ দল মোতায়েন কৰে। আৰক্ষীয়ে ছুপাৰ মাৰ্কেটৰ ওচৰত বেৰিকেড লগাই ভেটা দিয়াত টাই আহোম যুৱ পৰিষদৰ নেতা-কৰ্মীয়ে বেৰিকেড বগাই আগুৱাই যাব খুজিছিল যদিও আৰক্ষীৰ তৎপৰতাত সেয়া সম্ভৱ নহ'ল। অৱশেষত ছুপাৰ মাৰ্কেটত প্ৰতিবাদকাৰীক আৱদ্ধ কৰে। সেই সময়তে প্ৰতিবাদকাৰীক উদ্দেশ্যে টাই আহোম যুৱ পৰিষদৰ সভাপতি চাও দিগন্ত তামুলীয়ে চৰকাৰক কঠোৰ ভাষাৰে শেষ সকীয়নি প্ৰদান কৰে। চাও দিগন্ত তামুলীয়ে কয় এইবাৰ যদি চৰকাৰে টাই-আহোমক দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰে তেন্তে 'হয় ৰঙামাটি, নহয় গুৱাহাটী'। আমাৰ পূৰ্বপুৰুষসকলে মোগলৰ সৈতে ৰণ কৰোঁতে কৈছিল 'হয় ৰঙামাটি, নহয় গুৱাহাটী'। আমি আকৌ কৈছো আকৌ এখন শৰাইঘাটৰ ৰণ হ'ব। টাই আহোম যুৱ পৰিষদৰ সভাপতিগৰাকীয়ে মুখ্যমন্ত্ৰীক উদ্দেশ্যে কয় যে শৰাইঘাটৰ ৰণৰ শ্ল'গান দি তেওঁ মুখ্যমন্ত্ৰী হৈছিল। পাহৰিলে নহ'ব। শৰাইঘাটৰ ৰণৰ শ্ল'গান দি মুখ্যমন্ত্ৰী হৈ বিদেশী নাগৰিকক নাগৰিকত্ব দিবলৈ 'কা' আনিলে। কিন্তু টাই আহোমকে ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে আইন আনিব নিবিচাৰে। মুখ্যমন্ত্ৰীক প্ৰতিবাদস্থলীৰ পৰাই হুংকাৰ দি কয় যে শৰাইঘাটৰ কথা কৈ আপুনি মুখ্যমন্ত্ৰী হৈছিল। আপুনি জানি লওক যে প্ৰকৃত শৰাইঘাট কি আছিল সেই কথা আহোমে জানে। প্ৰকৃত শৰাইঘাটৰ ৰণ কি সেয়া আহোমে জানে আৰু আহোমৰ ডেকাই জানে। মুখ্যমন্ত্ৰী, আপোনাৰ কাৰ্যালয়ৰ কাষৰ পৰা কৈছো। আপুনি শুনি লওক। শেষ শেষ ৰণ বুলি কৈ আপুনি ক্ষমতালৈ আহিলে। শৰাইঘাটৰ ৰণ কি সেয়া আহোমে দেখুৱাব। চাও দিগন্ত তামুলীয়ে আৰু কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনজতিকৰণৰ নামত কেৱল মিছা মাতি আহিছে। হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ২০১৯ চনতে জনজাতিকৰণ সন্দৰ্ভত গঠন কৰি দিয়া মন্ত্ৰীগোটে আজিলৈ প্ৰতিবেদন নিদিলে। বিজেপিক শিক্ষা ল'বলৈ আহ্বান জনাই নেতাগৰাকীয়ে আৰু কয় যে জনজাতিকৰণৰ প্ৰতিশ্ৰুতি পালন নকৰাত ছয় জনগোষ্ঠীয় ৰাইজে কংগ্ৰেছ দলক অসমৰ শাসনৰ পৰা বিতাড়িত কৰিছিল ঠিক তেনেকৈ বিজেপি দলৰো একে দশাই হ'ব বুলি কয়। টাইপাৰ নেতা-কৰ্মীয়ে আহোমসকলক জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰদানৰ দাবীত জনতা ভৱন ঘেৰাও কৰিবলৈ আহি চৰকাৰ বিৰোধী শ্ল'গানেৰে দিছপুৰৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদকাৰীসকলে আৰু কয় যে আমি চৰকাৰক স্পষ্ট কৰি দিছো যে আমাক মিছা প্ৰলোভন দিয়া হৈছে। শাসন কৰাৰ নামত ৰাজনীতি কৰি অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। যদি তেনেদৰে শাসন কৰি থাকিম বুলি ভাবিছে তেন্তে মূৰ্খৰ স্বৰ্গত বাস কৰিছে। এয়া আৰম্ভণি। যদি আমাক আমাৰ প্ৰাপ্য অধিকাৰ শীঘ্ৰে স-সন্মানে প্ৰদান কৰে। তেতিয়া কঠোৰ আৰু উগ্ৰ প্ৰতিবাদৰ সন্মুখীন হ'ব। টাইপাৰ সভাপতি দিগন্ত তামুলী, কাৰ্যকৰী সভাপতি ভৃগু হাতীমূৰীয়া, যুটীয়া সম্পাদক দ্বীপজ্যোতি দুৱৰা আৰু শোভন কোঁৱৰৰ নেতৃত্বত ন-এছটি-ন-ৰেষ্ট', আহোম আজি জাগিছে, জনজাতিকৰণ আমাক লাগিবই, বিজেপি গ-বেক, নৰেন্দ্ৰ মোদী মিছলীয়া, হিমন্ত বিশ্ব শৰ্মাৰ কাম নাই শ্ল'গানেৰে দিছপুৰ উত্তাল কৰি তোলে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ অখিলৰ

ইক'নমিলৈ ৰূপান্তৰিত হ'ব বুলি দাবী কৰিছিল। ঋণ লোৱাৰ সক্ষমতা বৃদ্ধি হৈছে, তৰুণ গগৈয়ে লোৱা ঋণ সম্পূৰ্ণ ৰূপে মাৰি দিছো বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে। ২০১৪ চনলৈ ঋণ মুক্ত কৰিছো বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰে অসম চৰকাৰক ২৭ হাজাৰ কোটি টকা ঋণ লোৱাৰ অনুমতি দিছে। কিন্তু আমি ঋণ ১৭ হাজাৰ কোটি টকাহে লৈছো বুলি মুখ্যমন্ত্ৰীয়ে বছৰৰ প্ৰথম দিনটোত কৰা দাবীক ওভতি ধৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। আজি নিজ বাসগৃহত অখিল গগৈয়ে এখন সংবাদমেল সম্বোধন কৰি হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ আৰ্থিক নীতিক তীব্ৰ সমালোচনা কৰে। অখিল গগৈয়ে কয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত জিডিপিৰ হাৰ হৈছে ৮.৮। জিডিপি অনুপাতে ঋণৰ হাৰ হৈছে ৪৮। তৰুণ গগৈ চৰকাৰতকৈ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত চৰকাৰৰ ঋণ বাঢ়িছে ৮ শতাংশ। ধাৰত চলিছে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ। যদি শেহতীয়াকৈ ল'বলগীয়া ১৫ হাজাৰ কোটি টকাৰ ঋণ লৈছে তেন্তে মুঠ ঋণৰ পৰিমাণ ১ লাখ ৭৫ হাজাৰ কোটি টকা হ'ব বুলি দাবী কৰিছে অখিল গগৈয়ে। বিজেপিৰ ৮ বছৰীয়া চৰকাৰে ১ লাখ ৮ হাজাৰ ৯৩৬ কোটি টকাৰ ঋণ লৈছে। ২০১১ চনৰ পৰা ২০১৬ চনলৈ ঘৰুৱা উদপাদন চমুকৈ জিডিপি স্থিৰ মূল্যৰ গড় বৃদ্ধিৰ হাৰ আছিল ৭.৬ শতাংশ। ঋণ বৃদ্ধিৰ হাৰ আছিল ১০.৯ শতাংশ। সৰ্বানন্দ সোণোৱালৰ দিনত ২০১৬ চনৰ পৰা ২০২১ চনলৈ জিডিপিৰ স্থিৰ মূল্যৰ গড় বৃদ্ধিৰ হাৰ আছিল ৫.৪ শতাংশ। ক'ভিডৰ সময়ৰ বাবে জিডিপিৰ স্থিৰ মূল্য হ্ৰাস হৈছিল। ঋণ বৃদ্ধিৰ হাৰ আছিল ১৬.৬ শতাংশ। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ তিনিবছৰীয়া কাৰ্যকালত জিডিপি বৃদ্ধিৰ হাৰ ৮.৮ শতাংশ। ঋণ বৃদ্ধিৰ হাৰ আছিল ১৯ শতাংশ। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত এয়া উদ্বেগৰ কাৰণ। আটাইতকৈ বেছি উদ্বেগৰ কাৰণটো হ'ল জিডিপি অনুপাতে ঋণৰ হাৰ। ২০১৯ চনৰ পৰ্যন্ত অসমৰ জিডিপি স্থিৰ মূল্যৰ অনুপাতে ঋণৰ হাৰ আছিল ২০ৰ পৰা ২৫ শতাংশ। হিমন্ত বিশ্ব শৰ্মা চৰকাৰত জিডিপি অনুপাতে ঋণৰ হাৰ হৈছে ৪৮ শতাংশ। অখিল গগৈয়ে আৰু কয় যে আজিৰ দিনটোত অসমৰ জিডিপি ৩ লাখ কোটি টকা, ধাৰ হৈছে ডেৰ লাখ কোটি টকা। এয়া হৈছে আধা। গগৈয়ে তৰুণ গগৈ চৰকাৰৰ কাৰ্যকাল, সৰ্বানন্দ সোণোৱাল চৰকাৰৰ কাৰ্যকাল আৰু হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ কাৰ্যকালৰ তথ্য কেনেকৈ উলিয়াইছে সেই কথাও অৱগত কৰিছে। ৰিজাৰ্ভ বেংকৰ পৰা ধাৰ লোৱাৰ সম্পূৰ্ণ তালিকা উলিয়াই অসমৰ বিশিষ্ট অৰ্থনীতিবিদৰ সৈতে বহি তিনিওখন চৰকাৰে লোৱা ঋণ, জিডিপি আদিৰ তথ্য সাজু কৰা বুলিও কয়। তৰুণ গগৈৰ ১৫ বছৰ চৰকাৰত ২৫,৩৬৯ কোটি, সৰ্বানন্দ সোণোৱাল চৰকাৰৰ ৫ বছৰত ১৯,৬৫৯, হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ ৩ বছৰতে ২২,৪১০ কোটি টকা ঋণ লৈছে। ৩ বছৰে ঋণ লৈ চৰকাৰ চলাই থকা হিমন্ত বিশ্ব শৰ্মাই স্বাধীন ভাৰতৰ সকলো মুখ্যমন্ত্ৰীৰ ৰেকৰ্ড ভংগ কৰি মাথো ৩ বছৰতে ২২,৪১০ কোটি টকা ঋণ লৈছে। অখিল গগৈয়ে সংবাদমেলত দাবী কৰি কয় যে তিনিখন চৰকাৰৰ তথ্য আৰু সম্পূৰ্ণ অসমৰ অৰ্থনীতিৰ ৰূপৰেখা সাজু কৰা বুলি কয়। একেখন সংবাদমেলত অখিল গগৈয়ে আজিৰ দিনটোত অসমৰ এজন মানুহৰ উপাৰ্জন কিমান বুলি প্ৰশ্ন কৰি কয় যে ভাৰতৰ এজন মানুহৰ উপাৰ্জন যদি এশ টকা আৰু অসমৰ এজন মানুহৰ আজিৰ দিনটোৰ উপাৰ্জন ৭৩ টকা ৭১ পইছা। আমি ভাৰতীয় মানুহৰ গড় আয়তকৈ ২৬ টকা ৫০ পইছা তলত আছো। দেশ স্বাধীন হোৱাৰ সময়ৰ তথ্য দাঙি ধৰি গগৈয়ে ১৯৬০-৬১ চনত দেশৰ আয়ৰ ১০০ টকাৰ গড় অনুপাতে অসমৰ প্ৰতিগৰাকী লোকৰ আয় আছিল ১০২.৯ টকা। ২০২৩-২৪ চনত দেশৰ আয়ৰ ১০০ টকাৰ গড় অনুপাতে অসমৰ প্ৰতিগৰাকী লোকৰ আয় হৈছে ৭৩.৭ টকা। উপাৰ্জনৰ ক্ষেত্ৰত তালিকাৰ তল ফালৰ পৰা অসম ৫ নম্বৰত আছে। ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি যেনেকৈ জিডিপি বৃদ্ধিৰ হাৰ কম, ঋণৰ বৃদ্ধিৰ হাৰ ইমান বেছি যে অসমৰ মুঠ জিডিপিৰ ৪৮ শতাংশই আমি ঋণ গ্ৰহণ কৰি থাকো। মুখ্যমন্ত্ৰীয়ে অসমৰ জিডিপিৰ ৪৮ শতাংশ ধাৰ লৈছে। এইটো অসমৰ ইতিহাসৰ নোহোৱা-নোপোজা ঘটনা আখ্যা দিছে অখিল গগৈয়ে। উল্লেখ্য যে, স্বাধীনতাৰ পিছৰে পৰা ২০১৬ চনলৈ তৰুণ গগৈৰ চৰকাৰলৈ অসমৰ সমূহ চৰকাৰে ঋণ লৈছিল ৪১,৯৬৪ কোটি টকা। কিন্তু বিগত আঠ বছৰত সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ১,০৮,৯৩৬ কোটি টকা ঋণ লৈছে। অসমৰ বৰ্তমানৰ ঋণৰ পৰিমাণ ১,৫০,৯০০ কোটি টকাতকৈ অধিক। স্বাধীনতাৰ পিছৰ চৰকাৰসমূহে ৬৯ বছৰত যিমান ঋণ লোৱা নাছিল বিজেপিৰ ৮ বছৰীয়া চৰকাৰখনে ১,৫০,৯০০ কোটি টকাতকৈ অধিক ঋণ লৈ ইতিহাস গঢ়িছে। যাৰ ফলতে বিৰোধী দলসমূহে বাৰে ঋণ লোৱা প্ৰসংগটো উল্লেখ কৰি বিজেপিয়ে ঋণ লৈ চৰকাৰ চলাই থকাৰ অভিযোগ উত্থাপন কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত চাকৰি গ'ল বিদেশী শিক্ষকৰ

চিনাক্ত কৰিছে বিদেশী ন্যায়াধীকৰণে। দীৰ্ঘদিন ধৰি শিক্ষকতা কৰি থকা শিক্ষক দুজন হৈছে খাইৰুল ইছলাম আৰু আব্দুৰ ৰশ্বিদ। বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰাৰ পিছতে তদন্ত সমিতিৰ পৰামৰ্শৰ ভিত্তিত খাইৰুল ইছলাম আৰু আব্দুৰ ৰশ্বিদক চাকৰিৰ পৰা বৰ্খাস্ত কৰা বুলি জানিব পৰা গৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰাথমিক শিক্ষা বিভাগে দুই শিক্ষকক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। ন্যায়ালয়ৰ নিৰ্দেশত প্ৰাথমিক শিক্ষা বিভাগৰ সঞ্চালক সুৰঞ্জনা সেনাপতিৰ এক নিৰ্দেশনা মৰ্মে বৰ্খাস্ত কৰা হৈছে। মৰিগাঁও জিলাৰ কপিলীৰ ঠেংখালী খন্দাপুখুৰী প্ৰাথমিক বিদ্যালয়ৰ সহযোগী শিক্ষক হিচাপে কাম কৰি আছিল খাইৰুল ইছলাম। মৰিগাঁও লাহৰীঘাটৰ উলুবাৰী এমই স্কুলত বিজ্ঞান শিক্ষক হিচাপে কাম কৰি আছিল আব্দুৰ ৰশ্বিদ। ২০১৫ চনত মৰিগাঁৱৰ বিদেশী ন্যায়াধীকৰণে শিক্ষক খাইৰুল ইছলামক অবৈধ নাগৰিক ঘোষণা কৰিছিল। ২০১৮ চনত খাইৰুল ইছলামক ডিটেনচন কেম্পলৈ প্ৰেৰণ কৰা হৈছিল। তাৰ পিছতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল খাইৰুল ইছলাম। কিন্তু উচ্চ ন্যায়ালয়ে আবেদন খাৰিজ কৰাত চাকৰিৰ পৰা নিলম্বন কৰা হয়। ডিটেনচন কেম্পত দুবছৰ কটাই ২০২০ চনত সীমান্ত আৰক্ষী অধীক্ষকৰ নিৰ্দেশত মুক্ত হৈছিল। আব্দুৰ ৰশ্বিদক ২০১৬ চনতে বিদেশী ন্যায়াধীকৰণে অবৈধ নাগৰিক ঘোষণা কৰিছিল। ২০১৮ চনত আব্দুৰ ৰশ্বিদক ডিটেনচন কেম্পলৈ প্ৰেৰণ কৰাৰ লগতে দুবছৰৰ বাবে চাকৰিৰ পৰা নিলম্বন কৰিছিল। ২০২১ চনত সীমান্ত আৰক্ষী অধীক্ষকৰ নিৰ্দেশত ডিটেনচন কেম্পৰ পৰা মুকলি কৰা হৈছিল। পুনৰ লেখ আবেদন কৰিছিল যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ে আবেদন খাৰিজ কৰাত চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। দুই শিক্ষকক বিদেশী ঘোষণা কৰাত তদন্ত সমিতি গঠন কৰা হৈছিল। সমিতিয়ে দুয়ো শিক্ষকক জাননী জাৰি কৰি উত্তৰ দিবলৈ কৈছিল। কিন্তু পৰ্যাপ্ত উত্তৰ দিব পৰা নাছিল।

# নলবাৰীত আৰক্ষীৰ প্ৰহাৰত যুৱকৰ মৃত্যু সন্দৰ্ভত শুনানি

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৪ জানুৱাৰীঃ** নলবাৰীৰ এগৰাকী যুৱকৰ নলবাৰী আৰক্ষী চকীৰ চৌহদৰ ভিতৰত আৰক্ষীৰ প্ৰহাৰত মৃত্যু হোৱা বুলি অভিযোগ উত্থাপন হোৱা ঘটনা সন্দৰ্ভত নলবাৰী জিলা প্ৰশাসনৰ তৰফৰ পৰা ইয়াৰ উচিত তদন্তৰ বাবে আগন্তুক ৯ জানুৱাৰী তাৰিখে ৰাজহুৱা শুনানিৰ দিন ঘোষণা কৰা হৈছে। আবেদনকাৰী নগেন মেধিয়ে তেওঁৰ পুত্ৰ তীৰ্থনাথ মেধিৰ নলবাৰী আৰক্ষী চকীৰ প্ৰাংগনৰ ভিতৰত আৰক্ষীৰ প্ৰহাৰত মৃত্যুক সাৱতি লোৱা বুলি অভিযোগ তুলি উক্ত ঘটনা সন্দৰ্ভত উচিত বিচাৰৰ বাবে যোৱা ২১/১১/২৪ তাৰিখে দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ বাবে এক আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত অতিৰিক্ত জিলা দণ্ডাধীশে নিৰ্দেশনা নং MJ-27/45/2023- MAG-NLB/22 যোগে উক্ত ঘটনা সন্দৰ্ভত দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ দায়িত্বত সহকাৰী আয়ুক্ত সুপৰ্ণা দে'ক অৰ্পন কৰাৰ পৰিপ্ৰেক্ষিতত অহা ৯ জানুৱাৰীত ৰাজহুৱা শুনানিৰ দিন ঘোষণা কৰা হৈছে আৰু পুৱা ১১.০০ বজাৰ পৰা শুনানি গ্ৰহণ কৰা হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# খাৰঘূলিৰ আৰু ২৩টাকৈ পৰিয়ালক

চ'কত জাইকাই বহুওৱা পানীৰ পাইপ বিস্ফোৰণ হৈ জলপ্ৰলয়ৰ সৃষ্টি হৈছিল। মুহূৰ্ততে চুনামি সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছিল। পাইপ বিস্ফোৰণত ২৮টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছিল। প্ৰকাণ্ড গাতৰ পৰা প্ৰায় ৮০ ফুট ওপৰলৈ পানীৰ ফোৰোৰা উঠিছিল। পানীৰ সোঁত বৈ মানুহৰ ঘৰৰ সীমাৰ দেৱাল পৰ্যন্ত উটুৱাই নিয়াৰ লগতে এবুকু পৰ্যন্ত পানী হয়। পথ-ঘৰ প্লাৱিত হৈ বিস্তৰ সম্পত্তি ধ্বংস হয়। ঘটনাত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহ গৃহহাৰা হৈছে। ইপিনে পাহাৰীয়া এলেকাটোত ভূমিস্খলনৰ আশংকা বৃদ্ধি পাইছে। ভূমিস্খলনৰ আশংকাৰ সৃষ্টি হোৱাত চিন্তিত হৈছে স্থানীয় লোক। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে কয় যে পৰিস্থিতি নিৰীক্ষণত আছে। ভূমিস্খলনৰ আশংকাকে ধৰি বিভিন্ন আন প্ৰাকৃতিক দুৰ্যোগক লৈ নজৰ ৰাখি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গুৱাহাটী মেট্ৰ'পলিটান ড্ৰিংক ৱাটাৰ এণ্ড চিৱেজ ব'ৰ্ডে বিস্ফোৰণৰ দিনটোতে চাৰিটা পৰিয়ালক ১ লাখ ২০ হাজাৰকৈ টকা ক্ষতিপূৰণ দিয়ে। আজি পুনৰ অধিক ক্ষতিগ্ৰস্তৰ তালিকাভুক্ত ২৩ পৰিয়ালক ক্ষতিপূৰণ দিয়া হৈছে। ২৩ পৰিয়ালৰ বাবে ১১,৯৬,৫০০ টকা মঞ্জুৰ কৰিছে। প্ৰথম দিনা আনোৱাৰ হুছেইন, আবু ফাতেহ আহমেদ, মমিন শ্বেখ, বিনিতা দাসক মুঠ ৪.৮ লাখ টকাই ক্ষতিপূৰণ আদায় দিয়ে। আজি গুৱাহাটী মেট্ৰ'পলিটান ড্ৰিংক ৱাটাৰ এণ্ড চিৱেজ ব'ৰ্ডে আনোৱাৰ হুছেইন, মাৰফৎ আলী, জাহিৰ আব্বাছ, বিনিতা দাস, মমিন শ্বেখ, আব্দুল ফাৰুক, মহম্মদ মোস্তাফা, চান্দাম আলম, ৰাজু কাজী, কমলা দেৱী, ৰাজাল আলী, আবু ফাতেহ আহমেদ, আবু জাকিৰ আহমেদক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। টুটুমণি দাস, পূৰ্বজ্যোতি অংগনবাড়ী কেন্দ্ৰ, মতিউৰ ৰহমান, পূৰ্ণ প্ৰসাদ উপাধ্যায়, ৰাহিদা বেগম, ফাগুনি ডেকা, মণি বৰ্মন, টিংকু দাস আৰু ৰাধিকা দাসক ১ লাখা ২৫ হাজাৰকৈ, মদিনা মছজিদক ৬,৫০০ টকা প্ৰদান কৰা হয়। গুৱাহাটী মহানগৰ পানী যোগান আৰু নৰ্দমা পৰিষদ আইন-২০০৯ৰ অধীনত ক্ষতিপূৰণ প্ৰদান কৰা হৈছে। গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সকাহ দিয়াৰ লগতে ভৱিষ্যতে এনে দুৰ্ঘটনা ৰোধ কৰিবলৈ প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। পাইপ বিস্ফোৰণত ২৮টা পৰিয়ালৰ ঘৰ-দুৱাৰ ধ্বংস হোৱা বুলি জানিব পৰা গৈছে। এটা কেঁচুৱা পানীত উটি গৈ কিছু সময় নিৰুদ্দেশ হৈছিল যদিও মাতৃয়ে অতিসাহসেৰে চুনামি সদৃশ পৰিৱেশত পানীত নামি গৈ কেঁচুৱাটোক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে অস্থায়ী শিবিৰত ৰাখিছে। আশ্ৰয় শিবিৰত খাদ্য আৰু প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা হৈছে। জানিব পৰা মতে, খাৰঘুলি পানী পৰিশোধন কেন্দ্ৰত চাৰ্জ প্ৰটেকচন টেংক স্থাপনৰ ফলত পানীৰ চাপৰ বাবে এই দুৰ্ঘটনা সংঘটিত হয়। ঘটনাটোৱে গুৱাহাটী মহানগৰৰ পৰিকাঠামোৰ নিৰাপত্তাৰ ওপৰত গুৰুতৰ প্ৰশ্ন তুলিছে। স্থানীয় ৰাইজে এনে ঘটনা ৰোধৰ বাবে যথাযথ পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে। আনহাতে চৰকাৰী তথ্য মতে, ক্ষতিগ্ৰস্ত ২১টা পৰিয়ালৰ মুঠ জনসংখ্যা হৈছে ১১৩টা। ইয়াৰে ৪৬গৰাকী পুৰুষ আৰু ৫৫গৰাকী মহিলা। জানিব পৰা মতে, সিদিনা দুপৰীয়া হঠাতে খাৰঘুলিৰ নামঘৰ চ'কত মানুহ ব্যস্ত হৈ থকাৰ সময়তে পানীৰ পাইপ বিস্ফোৰিত হয়। পানীৰ ফোৰাৰা সত্তৰ ফুট পৰ্যন্ত ওপৰলৈ উঠাত চৌদিশে হাহাকাৰ লাগে। পানী বিস্ফোৰিত হোৱাৰ গতি দেখি মানুহ আতংকিত হয়। সেই ঠাইৰ পৰা মানুহবোৰে পলায়ন কৰে আৰু নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ প্ৰয়াস কৰে। একাংশ লোকে সন্তানক বুকুৰ মাজত সোমাই লৈ নিজ ঘৰৰ বিছনাৰ তলত সোমাই পৰে। তৎমুহূৰ্ততে পানীৰ ঢল বৈ যোৱাত কেবাটাও পৰিয়ালৰ ঘৰৰ সামগ্ৰী উটুৱাই নিবলৈ ধৰে। পানীৰ সোঁত যিখিনি ঠাইৰে বৈ যায় সেই দিশত গাত হৈ পৰে। সীমাৰ দেৱাল ভাঙি, গছ-গছনি উঘালি চুচুৰ্মৈ কৰে। পানী মানুহৰ ঘৰত সোমাই পৰাত বস্তু-বাহিনী উটুৱাই নিয়ে। বৈ যোৱা সামগ্ৰীখিনিও নষ্ট হৈছে। পানীৰ ফোৰাৰাৰ পৰা শিল উৰি আহি মানুহৰ ঘৰৰ টিনপাত নষ্ট কৰে। বিস্ফোৰণত পৰিয়ালসমূহৰ ঘৰ-দুৱাৰ, সা-সামগ্ৰী, বস্ত্ৰ, জমাকৃত খাদ্য আদি নষ্ট হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজমেৰলৈ প্ৰধানমন্ত্ৰী মোদীৰ চাদৰ

মাজতে মইনুদ্দিন চিস্তিৰ উৰস উৎসললৈ চাদৰ প্ৰেৰণ কৰি সম্প্ৰীতিৰ বাৰ্তা দিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বৃহস্পতিবাৰে সংখ্যালঘু উন্নয়ন মন্ত্ৰী কিৰেন ৰিজিজুৰ জৰিয়তে আজমেৰৰ খাজা মইনুদ্দিন চিস্তিৰ দৰগাহলৈ এই চাদৰ প্ৰেৰণ কৰে প্ৰধানমন্ত্ৰীয়ে। এই সন্দৰ্ভত ছ'চিয়েল মিডিয়াযোগে জানিবলৈ কিৰেন ৰিজিজুৱে লিখিছে, "প্ৰধানমন্ত্ৰীয়ে আজমেৰৰ খাজা মইনুদ্দিন চিস্তিৰ দৰগাহলৈ চাদৰ প্ৰেৰণ কৰিছে। এয়া হৈছে ভাৰতৰ মহান সংস্কৃতিৰ প্ৰতি সন্মান। একে সময়তে ই সমন্বয় আৰু সহিষ্ণুতাৰ প্ৰমাণো।" ৰাজনৈতিক বিশ্লেষকসকলৰ মতে চলি থকা মন্দিৰ-মছজিদ বিতৰ্কৰ প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপ এক গুৰুত্বপূৰ্ণ বাৰ্তা। শেহতীয়াকৈ একাংশ হিন্দুত্ববাদী সংগঠনে আজমেৰৰ খাজা মইনুদ্দিন চিস্তিৰ দৰগাহ এসময়ত শিৱ মন্দিৰ আছিল বুলি দাবী কৰি নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। মন্দিৰ-মছজিদক লৈ চলি থকা বিতৰ্কৰ মাজতে প্ৰধানমন্ত্ৰীয়ে আজমেৰ দৰগাহলৈ চাদৰ প্ৰেৰণ কৰি সম্প্ৰীতিৰ বাৰ্তা প্ৰেৰণ কৰিছে। বৰ্তমান জ্ঞানবাপি মছজিদ, মথুৰাৰ শ্বাহী ইদগাহ, আৰু সম্ভলৰ জামা মছজিদত মন্দিৰ-মছজিদ বিবাদৰ বাবে কেইবাটাও গোচৰ আদালতত বিচাৰাধীন হৈ আছে। এই গোচৰৰ ভিত্তিতে একাংশ ধৰ্মীয় স্থানত জৰীপ কৰাৰো নিৰ্দেশ দিয়া হৈছিল। শেহতীয়াকৈ এনে জৰীপক লৈ সম্ভলত বিয়পি পৰা সাম্প্ৰদায়িক উত্তেজনাৰ পিছতে মন্দিৰ-মছজিদৰ জৰীপৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে উচ্চতম ন্যায়ালয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুলীয়াজানত ধৃত ৪ জন আলফাৰ 'চি'

বিষয়া ভাস্কৰ শইকীয়াৰ নেতৃত্বত চলা এক অভিযানত কালি আৰু আজি চাৰিজনকৈ আলফাৰ 'চি' কোম্পানীৰ মাষ্টাৰ মাইনসহ চাৰিজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষীয়ে। আটকাধীন আলফা সদস্যকেইজন ক্ৰমে বিতুপন গগৈ ওৰফে জয়ন্ত অসম, ভৰত হাজাৰী, বিনোদ পাহাৰীয়া আৰু বলীন গগৈ বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। বিতুপন গগৈ ওৰফে জয়ন্তৰ পৰা আই ডি, এটা পিষ্টল, বোমা নিৰ্মাণৰ সামগ্ৰী, ১৫ টাকৈ মোবাইলসহ নগদ প্ৰায় ৬৯ হাজাৰ ৫০০ টকা আৰক্ষীয়ে জব্দ কৰে। বিতুপন গগৈয়ে দুলীয়াজান বাম হুকুটাৰ ওচৰত অৱস্থিত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ আৱাসিক অঞ্চলৰ ওচৰৰে এটা ঘৰত ভাড়া লৈ আছিল আৰু সেই ভাড়াঘৰটোৰ পৰাই আৰক্ষীয়ে আটক কৰে আলফা সদস্যজনক। জানিব পৰা মতে, শিৱসাগৰৰ সুৰজ গগৈ নামৰ ব্যক্তি এজনৰ সৈতে ডিমাপুৰলৈ গৈ এনএছচিএন(কে) পৰা প্ৰশিক্ষণ লৈছিল বিতুপন গগৈয়ে। বিতুপন গগৈৰ তত্বাৱধানত ১৫ জন ব্যক্তি জড়িত থকাৰ লগতে বৰ্তমানলৈকে প্ৰায় ১ কোটি টকা বিভিন্ন স্থানত দাবী কৰি ৰখাৰ কথাও আৰক্ষীৰ আগত উল্লেখ কৰে বিতুপন গগৈয়ে। আগন্তুক গণৰাজ্য দিৱসৰ সময়ত শক্তি প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে টেঙাখাটত থকা অইল ইণ্ডিয়াৰ এটা তৈল খাদত বোমা বিস্ফোৰণৰ পৰিকল্পনা কৰাৰ লগতে দুলীয়াজান চহৰৰ বিভিন্ন স্থানত বিস্ফোৰণ ঘটোৱাৰ কথা স্বীকাৰ কৰিছে বিতুপন গগৈ ওৰফে জয়ন্ত অসমে। সম্প্ৰতি চাৰিওজন আটকাধীন সদস্যক দুলীয়াজান আৰক্ষীৰ জিম্মাত ৰাখি সোধা-পোচা অব্যাহত ৰাখিছে। ইফালে, ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে আজি সংবাদমেলৰ জৰিয়তে ধৃত আটাইকেইজন সদস্যকে ভুৱা আলফা বুলি দাবী কৰিছে। এই ঘটনাই দুলীয়াজানৰ লগতে সমগ্ৰ উজনিতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনি দিনীয়াকৈ কৃষি বিশ্ববিদ্যালয়ত

আঞ্চলিক কৃষি মেলা আৰম্ভ হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ মুখ্য পৃষ্ঠপোষকতাত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত মেলাৰ উদ্বোধনী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে কৃষি মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। বিশ্ববিদ্যালয়ৰ মুল চৌহদৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানটোত বক্তব্যত কৃষি মন্ত্ৰীৰ বৰাই কয় যে কৃষিক্ষেত্ৰত প্ৰচুৰ সম্ভাবনা আৰু প্ৰত্যাহ্বান আছে। সেয়ে কৃষকৰ স্বাৰ্থৰ বাবে চিন্তা কৰা হৈছে আৰু কৃষকক উপকৃত কৰাৰ বাবে ভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। লাহে লাহে কৃষিক্ষেত্ৰত পৰিবৰ্তন হ'বলৈ আগবাঢ়িছে আৰু অন্যান্য ক্ষেত্ৰত জড়িত সকলেও কৃষিক্ষেত্ৰত জড়িত হ'বলৈ আগবাঢ়ি আহিছে। বিগত সময়চোৱাত বহু কোটি টকাৰ মুল্যৰ কৃষি সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰা হৈছে বুলি উল্লেখ কৰি কয় যে কৃষকক লাভাৱান্বিত কৰাৰ বাবে সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। কৃষি বাণিজ্য সম্প্ৰসাৰণৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতিত সলনি কৰিব লাগিব। কেনেদৰে বজাৰ দখল কৰিব পাৰি তাৰ বাবে প্ৰচেষ্টা হাতত ল'ব লাগিব। নতুন উদ্ভাৱনৰ দিশতো গুৰুত্ব দি নতুন পৃথিৱীৰ বাবে নিজকে দক্ষ কৰি ইপ্সিত লক্ষ্যত উপনীত কৰিব লাগিব। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড: বিদ্যুৎ চন্দন ডেকাই আদৰণি ভাষণত কৃষিক্ষেত্ৰত সামগ্ৰিক পৰিবৰ্তন ঘটাই কৃষি কৃষক আৰু ইয়াৰ লগত জড়িত সকলোৰে মানদণ্ড উন্নত কৰিব লাগিব বুলি উল্লেখ কৰে। সঠিক উৎপাদনৰ বাবে সঠিক বীজ আৰু ব্যৱস্থাপনাৰ অতি প্ৰয়োজনীয় বুলি মত পোষণ কৰে। অনুষ্ঠানত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সৰিয়হ আৰু ৰেপচিড গৱেষণা কেন্দ্ৰৰ সঞ্চালক ড: পি কে ৰায়ে কয় যে উত্তৰ পূবৰ কৃষিক্ষেত্ৰত অপাৰ সম্ভাৱনা আছে। আবন্টিত ধনৰ সদব্যৱহাৰ কৰি কৃষকৰ মাজলৈ যাব পাৰিলে এই দিশত লাভাৱান্বিত হ'ব পৰা যাব বুলি উল্লেখ কৰি এই ক্ষেত্ৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ ভূমিকাৰ শলাগ লয়। সাংসদ কামাখ্যা প্ৰসাদ তাছাই বক্তব্যত দাম কমিবলৈ পৰ্যাপ্ত খেতি কৰিব লাগিব বুলি উল্লেখ কৰি কয় যে কৃষি যান্ত্ৰিকীকৰণৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। সেয়ে যান্ত্ৰিকীকৰণৰ সমানে কৃষি গৱেষণাক পথাৰলৈ নিব পাৰিলে আমাৰ লাভ হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড: মনোৰঞ্জন নেওগে শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোত মেলা উপলক্ষ্যে প্ৰকাশিত স্মৃতিগ্ৰন্থৰ লগতে কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত উত্তৰ পূবৰ ৰাজ্য কেইখনৰ নিৰ্বাচিত ৫জন কৃষকক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানৰ পাছতে আই চি আৰ ফাৰ্মত অনুষ্ঠিত মেলাৰ দ্বাৰ মুকলি কৰে কৃষি মন্ত্ৰী অতুল বৰাই। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই, কৃষি বিজ্ঞান গুৰু ড: প্ৰসন্ন কুমাৰ পাঠক, কৃষি গৱেষণা সঞ্চালক ড: সঞ্জয় কুমাৰ চেতিয়া, পশু চিকিৎসা গৱেষণা সঞ্চালক ড: প্ৰবোধ বৰা, স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড: অনুপ কুমাৰ দাস, ছাত্ৰ কল্যাণ সঞ্চালক ড: বিনয় কুমাৰ মেধি,মীন মহাবিদ্যালয়ৰ বিজ্ঞান গুৰু ড: প্ৰদীপ ভূঞা,সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড: ৰঞ্জিত কুমাৰ সাউদ, সহযোগী কৃষি গৱেষণা সঞ্চালক ড: মৃণাল শইকীয়া,সামুহিক বিজ্ঞান গুৰু ড: মামণি দাস, প্ৰমুখ্যে বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপক অধ্যাপিকা সকল, গৱেষক বিজ্ঞানী সকল, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী সকলৰ লগতে বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। আৰম্ভণিৰ দিনাই মেলাত অসম কৃষি বিশ্ববিদ্যালয়ৰ নিজা উৎপাদিত "AAU Select" ব্ৰেণ্ডৰ সামগ্ৰীসমূহে ব্যাপক সমাদৰ লাভ কৰে। উল্লেখ্য যে ৪-৬ জানুৱাৰীলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদৰ আই চি আৰ ফাৰ্মত অনুষ্ঠিত হ'বলগীয়া এই মেলাত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে কৃষক, কৃষি উদ্যোগী, আত্মসহায়ক গোট আৰু কৃষক উৎপাদক সংস্থাৰ প্ৰতিনিধিৰ লগতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। অনুষ্ঠানত কৃষি প্ৰদৰ্শনী, কৃষিজাত প্ৰযুক্তিৰ প্ৰদৰ্শন, কৃষকৰ প্ৰশিক্ষণ, কৃষিভিত্তিক প্ৰতিযোগিতা, মত-বিনিময় অনুষ্ঠান, ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা, কৃষি সম্পৰ্কীয় আলোচনা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

# বাৰপূজীয়াত ম'হ যুঁজ সুৰক্ষা সমিতি, অসম গঠন

**ই-সংবাদ, মৰিগাঁও, ৪ জানুৱাৰীঃ** ন্যায়পালিকাই পেটা নামৰ এটি প্ৰকৃতিপ্ৰেমী সংগঠনৰ আবেদনৰ ভিত্তিত ম'হযুঁজ আৰু বুলবুলি চৰাইৰ যুঁজ নিষিদ্ধ কৰা বিষয়টো পুনৰ বিবেচনাৰ বাবে ম'হযুঁজ অনুষ্ঠিত কৰা সমিতিসমূহৰ লগতে ম'হৰ গোৱাল আৰু মালিকসকল একত্ৰিত হৈ আহ্বান জনোৱাৰ উদ্দেশ্যে মৰিগাঁও-নগাঁও জিলাৰ সীমামূৰীয়াস্থ বাৰপূজীয়াত আজি এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। বাৰপূজীয়া খেল পথাৰত প্ৰদীপ বৰদলৈৰ সভাপতিত্বত হোৱা এই সভাত মৰিগাঁও, নগাঁও, হোজাই আৰু কাৰ্বি-আংলং জিলাৰ তিনি শতাধিক ম'হৰ গোৱাল তথা মালিক উপস্থিত থকাৰ সমান্তৰালকৈ প্ৰায় পঁচিছখন ম'হযুঁজ সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাত আলোচনা মৰ্মে 'ম'হযুঁজ সুৰক্ষা সমিতি, অসম' নামাকৰণেৰে এখন শক্তিশালী সমিতি গঠন কৰাৰ লগতে সভাত গ্ৰহণ কৰা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰণৰ বাবে কৰ্তৃত্ব অৰ্পণ কৰা হয়। নগাঁও জিলাৰ বাবুলাল নাথক সভাপতি আৰু মৰিগাঁও জিলাৰ প্ৰশান্ত দেউৰীক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া এই কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। সমিতিয়ে আগন্তুক কাৰ্যপন্থা হাতত ল'বলৈ কাম কৰি যাব।

# বেতবাৰী উঃমাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, শিৱসাগৰ, ৪ জানুৱাৰীঃ** বেতবাৰী অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱোজ্বল মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ যোৱা ৩ জানুৱাৰীত লাই খুঁটা স্থাপন কৰা হয়। বিদ্যালয়খনৰ খেলপথাৰত খোল তাল আৰু শংখধ্বনিৰ মাজত লাই খুঁটা স্থাপন কৰে। বিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষক-কৰ্মচাৰী প্ৰাক্তন শিক্ষাৰ্থী, অঞ্চলটোৰ কেইবাখনো গাঁৱৰ ধৰ্মপ্ৰাণ ব্যক্তিয়ে অংশগ্ৰহণ কৰা খুঁটা স্থাপন অনুষ্ঠানটোৰ পূৰ্বে বিদ্যালয়ৰ ভূমি দাতা নীলৰাম বৰুৱাৰ প্ৰতিমূৰ্ত্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ১৫, ১৬, ১৭ আৰু ১৮ জানুৱাৰীত ক্ৰমে থলীতে ৰচনা লিখা, চিত্ৰাংকন, তৰ্ক, দবা, জ্যোতি সংগীত, কবিতা আবৃত্তি, একাংকিকা নাট, বিজ্ঞান মডেল প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। ইয়াৰোপৰি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, সাংস্কৃতিক সন্ধিয়া, গ্ৰন্থ মেলা, কবি সন্মিলন, গুৰু-শিষ্যৰ আন্তৰিক আলাপ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰোপৰি প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাৰ্থীৰ বাবে নিজস্ব প্ৰতিভা প্ৰদৰ্শনৰ বাবে সুকীয়াকৈ এটি অনুষ্ঠানৰ ব্যৱস্থা কৰিছে। মুকলি সভাত কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমানৰ উপাচাৰ্য উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। মুকলি সভাতে কেইবাখনো গ্ৰন্থ উন্মোচন হ'ব। ১৬ জানুৱাৰীত পুৱাতে পয়সত্তৰখন পতাকা উত্তোলনৰ লগে লগে প্ৰাক্তন শিক্ষাৰ্থীৰ দ্বাৰা গঠন হোৱা নিজ নিজ বেটছৰ পতাকা উত্তোলন কৰা হ'ব। ইতিমধ্যেই বেতবাৰী' ৭৫, শিক্ষা তীৰ্থৰ সতীৰ্থ' ৭৯-৭৯, সতীৰ্থ ৮২, সুহৃদ' ৮৪, মৈত্ৰী '৮৫ স্নেহবন্ধন ৮৭, সহপাঠী' ৮৯, সতীৰ্থ' ৯১, সখা' ৯২, বান্ধৈ' ৯৩, বান্ধৱ' ৯৪, সুমিত্ৰ' ৯৫, সহপাঠী' ৯৬, আকৌ বেতবাৰী' ৯৭ আদি নামেৰে প্ৰায় দুকুৰি বেটছে সামৰণি অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ প্ৰস্তুতি চলাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## পঞ্চায়ত নিৰ্বাচনৰ আসন সংৰক্ষণ কেলেংকাৰীৰ অভিযোগত লাহৰীঘাটত ইউডিএফৰ প্ৰতিবাদ

**ই-সংবাদ, লাহৰীঘাট, ৪ জানুৱাৰীঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ আসন সংৰক্ষণত কেলেংকাৰী,আসন সংৰক্ষণৰ তালিকা খেয়ালসূচীৰে প্ৰস্তুত কৰা অভিযোগত আজি মৰিগাঁও জিলাৰ লাহৰীঘাটত এ আই ইউ ডি এফ দলৰ কৰ্মীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মৰিগাঁও জিলাত আসন সংৰক্ষণৰ অনিয়ম দূৰ কৰক, লটাৰীযোগে পঞ্চায়ত নিৰ্বাচনৰ আসন সংৰক্ষণ কৰক, আসন সংৰক্ষণৰ কেলেংকাৰী মানি লোৱা নহ'ব আদি বিভিন্ন শ্ল'গানেৰে সমগ্ৰ পৰিবেশ উত্তাল কৰি তোলে এআইইউডিএফৰ কৰ্মী সকলে। মৰিগাঁও জিলা এআইইউডিএফ সমিতি, যুৱ মৰ্চা, ছাত্ৰ মৰ্চাৰ উদ্যোগত আৰু লাহৰীঘাট-ভূৰাগাঁও ব্লক সমিতিৰ সহযোগত অনুষ্ঠিত হয় আজিৰ এই প্ৰতিবাদী কাৰ্যসূচী। অভিযোগ মতে, জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ আসন সংৰক্ষণৰ ক্ষেত্ৰত কেইটামান পঞ্চায়তত ল'টাৰীৰ যোগে সংৰক্ষণৰ ব্যৱস্থা কৰিছে যদিও গৰিষ্ঠসংখ্যক পঞ্চায়তত সেই ব্যৱস্থা গ্ৰহণ নকৰি শাসকীয় দলৰ কেইজনমান ব্যক্তিৰ খেয়ালসূচী মতে জিলা প্ৰশাসনে আসন সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে আজি প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে জিলাখনত পুনৰ নতুনকৈ লটাৰী যোগে স্বচ্ছ আৰু নিকা পদ্ধতিৰে পঞ্চায়তৰ আসন সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো দলটোৰ প্ৰতিবাদী কৰ্মী সকলে গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীগৰাকীৰ লগতে মৰিগাঁও জিলা প্ৰশাসনক দাবী জনায়। আনকি ইয়াৰ বাবে দলটোৰ প্ৰতিবাদী কৰ্মী সকলে ২৪ ঘণ্টা সময় সীমা বান্ধি দিয়ে। ইয়াৰ পাছতো যদি আসন সংৰক্ষণৰ ব্যৱস্থা সংশোধন নকৰে তেন্তে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও প্ৰতিবাদী কৰ্মীসকলে হুংকাৰ দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ আক্তাৰ হুছেইন, এহিয়া মুক্তাৰ, জিলা সমিতিৰ উপ সভাপতি হাফিজ ইনামুল হক, ইদ্ৰিছ আলী, জিলা যুৱ মৰ্চাৰ সভাপতি আস্কৰ আলী মৰল, কাৰ্যকৰী সভাপতি তাইজুল ইছলাম, সম্পাদক প্ৰশাসনিক হাৰিছুজ জামান, সাংগঠনিক সম্পাদক ওয়াহিদুৰ ৰহমান, ছাত্ৰ মৰ্চাৰ সভাপতি জুয়েল আনচাৰী, সম্পাদক প্ৰশাসনিক মুজাম্মীল হক ফৰাজী, লাহৰীঘাট ব্লক সভাপতি আব্দুল ৰেজাক, সম্পাদক প্ৰশাসনিক আব্দুল জব্বাৰ, সাংগঠনিক সম্পাদক জামাল উদ্দিন, কাৰ্যালয় সম্পাদক বাছিৰ উদ্দিনৰ লগতে দলীয় কৰ্মীসকল উপস্থিত থাকে।

# চুৰি গৰু সৰবৰাহৰ ক'ৰিডৰ লাহোৱাল বাইপাছ! জালত গৰু চোৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৪ জানুৱাৰীঃ** ৰাজ্যত শাসনত আছে হিন্দুত্ববাদী চৰকাৰ। গো-ধনৰ হত্যা ৰোধ কৰাৰ কথা কৈ ভোট ভিক্ষা কৰে বিজেপিয়ে। কিন্তু এইখন চৰকাৰৰ দিনত গোহালিৰ গো-ধনকেইটাকে ৰক্ষা কৰিব পৰা নাই অসমীয়া খেতিয়কে। প্ৰতি নিশা ৰাজ্যত গোহালিৰ পৰা গো-ধন চুৰি হোৱাৰ অভিযোগৰ মাজতে উজনি অসমৰ ডিব্ৰুগড় জিলাৰ লাহোৱালত গৰু চোৰ ধৰা পৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। লাহোৱালৰ বিভিন্ন প্ৰান্তত খেতিয়কে গোহালিৰ গৰুকেইটাক চোৰৰ পৰা ৰক্ষা কৰিবলৈ নিদ্ৰাহৰণ কৰিবলৈ বাধ্য হোৱাৰ সময়তে আজি লাহোৱালৰ মোহনবাৰী বিমান বন্দৰৰ সমীপৱৰ্তী গণেশবাৰী মাইজানতলীৰ ভিতৰ লাইনত ধৰা পৰিছে চাৰি গৰু চোৰ। চাৰি গৰু চোৰৰ ভিতৰত দুই চোৰ নাবালক। চাৰিটাকৈ গৰু চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে মোহনবাৰী আৰক্ষীয়ে। গণেশবাৰী মাইজানতলী ভিতৰলাইন গৰু চুৰি হোৱাত মোহনবাৰী আৰক্ষীয়ে জাল পেলাইছিল। আৰক্ষীয়ে গোপন সূত্ৰে অভিযান চলাই গৰু চুৰিৰ সৈতে জড়িত থকাৰ সন্দেহত চানু গোৱালা, অন্থনী কেৰকেটা আৰু দুই নাবালকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে এজন চোৰক ধৰিব নোৱাৰিলে বুলি জানিব পৰা গৈছে। ইপিনে, ডিব্ৰুগড়ৰ লাহোৱাল বাইপাছ চুৰি গৰু পাৰ কৰাৰ কৰিডৰত পৰিণত হোৱাৰ অভিযোগ উঠিছে। লাহোৱাল বাইপাছ গৰু সৰবৰাহৰ কৰিডৰ হোৱাৰ লগতে লাহোৱাল বাইপাছত সময়ে সময়ে জব্দ হয় চোৰাংকৈ গৰু কঢ়িওৱা গাড়ী। চোৰাংকৈ গৰু কঢ়িওৱা গাড়ী ধৰি গৰু চুৰিৰ গেংটোক উৎখাত কৰাত ব্যৰ্থ হৈছে আৰক্ষী। এই অভিযোগ ৰাইজৰ। ৰাইজে কয় যে চোৰাংকৈ গৰু কঢ়িওৱা গাড়ী ধৰি দিয়াৰ পিছতহে সক্ৰিয় হয় আৰক্ষী। তাৰ মাজতে লাহোৱালৰ মোহনবাৰী বিমানবন্দৰৰ সমীপৰ গণেশবাৰী মাইজানতলীৰ ভিতৰলাইনত গৰু চুৰি চক্ৰৰ সৈতে জড়িত চাৰিজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে মোহনবাৰী আৰক্ষী।



তিনিচুকীয়াত তৃণমূল কংগ্ৰেছৰ এখন সভাত দলটোৰ ৰাজ্যিক সভাপতি ৰমেন বৰঠাকুৰ, শনিবাৰে

# তিনিচুকীয়া কমাৰ্চ কলেজৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, ডুমডুমা, ৪ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তিনিচুকীয়া কমাৰ্চ কলেজে শিক্ষাৰ প্ৰসাৰ কৰাৰ উদ্দেশ্যে আগত ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ শ্ৰীপুৰীয়াস্থিত তিনিচুকীয়া কমাৰ্চ কলেজে বিগত সময়ত বিভিন্ন ব্যতিক্ৰম কাৰ্যসূচী গ্ৰহণ কৰি বিভিন্ন শিতানত উচ্চ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। মানৱ সম্পদ গঢ়াৰ স্বাৰ্থত বিদ্যায়তনিক শিক্ষাৰ লগতে বহু কাৰিকৰী শিক্ষা প্ৰদান কৰি অহা তিনিচুকীয়া কমাৰ্চ কলেজে কৰা এনে কৰ্ম তথা বিভিন্ন শিতানৰ পাৰদৰ্শিতাৰ চৌদিশে সমাদৃত হোৱাৰ উপৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বঁটা বুটলিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ আই কিউ এ চি (IQAC)ৰ উদ্যোগত কাইলৈ জৈৱিক পদ্ধতিৰে কিদৰে খেতি কৰিব পাৰি তাৰ এক সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰিছে। তিনিচুকীয়া নগৰৰ দেওবৰীয়া বজাৰত এই সজাগতা কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ ড০ চৈতন্য বৰাই সদৰী কৰিছে। আনহাতে, মহাবিদ্যালয়খনত জৈৱিক পদ্ধতিৰে কৰা খেতিৰ দ্বাৰা উৎপাদিত শাক-পাচলি, সামগ্ৰী বিক্ৰীৰ ব্যৱস্থাও গ্ৰহণ কৰিছে বুলি অধ্যক্ষ ড০ বৰাই জনাইছে।

# মৰিগাঁৱত গুণোৎসৱৰ বহিঃ মূল্যায়ক বিষয়াৰ প্ৰশিক্ষণ

**ই-সংবাদ, লাহৰীঘাট, ৪ জানুৱাৰীঃ** মৰিগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত আজি মৰিগাঁও জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত গুণোৎসৱৰ দ্বিতীয় পৰ্যায়ৰ বহিঃ মূল্যায়ক বিষয়াৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ভাষণ প্ৰদান কৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ পৰা স্বচ্ছতাৰে গুণোৎসৱ অনুষ্ঠিত কৰাত সহযোগিতা কামনা কৰে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰি মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) অনুসূয়া শৰ্মা আৰু সহকাৰী আয়ুক্ত আৰিস্মা কাশ্যপে চৰকাৰী বিষয়াসকলক গুণোৎসৱৰ দায়িত্ব সূচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনাই শুভেচ্ছামূলক ভাষণ আগবঢ়ায়। সমগ্ৰ শিক্ষা, মৰিগাঁৱৰ জিলা আঁচনি বিষয়া লক্ষ্মীনন্দন শইকীয়া আৰু সংগীতা গোস্বামী, মৰিগাঁও জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰবক্তা নন্দিতা শৰ্মা আৰু সংগীতা মালিনী বৰুৱাই প্ৰশিক্ষণত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। আনহাতে, গুণোৎসৱৰ ম'বাইল এপ সম্পৰ্কে প্ৰশিক্ষণ আগবঢ়ায় জিলা প্ৰগ্ৰেমাৰ সংগীতা তালুকদাৰে। প্ৰশিক্ষণত ৯০ গৰাকী গুণোৎসৱৰ বহিঃ মূল্যায়কে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, ২০২৫ চনৰ ৪-৭ ফেব্ৰুৱাৰীলৈ জিলাখনত অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱত জিলাখনৰ ১৩৯৪ খন বিদ্যালয়ৰ ১৫১৯৯২ গৰাকী ছাত্ৰ-ছাত্ৰীক ৬৯০ গৰাকী বহিঃ নিৰীক্ষকে মূল্যায়ন কৰিব।

# চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ

**ই-সংবাদ, বেবেজীয়া, ৪ জানুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চমুৱাগাঁৱত ১৯৯৮ চনৰ ৪ জানুৱাৰীত বহুকেইজন সমাজহিতৈষী লোকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠিছিল শংকৰদেৱ চিত্ৰকলা বিদ্যালয়। প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোৰ উঠি অহা শিশু, কিশোৰ, কিশোৰীসকলক চিত্ৰকলাৰ লগতে সংগীত আৰু ধ্ৰুপদী নৃত্যৰ শিক্ষা প্ৰদানৰে শিক্ষাৰ্থীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশত বিশেষ ভূমিকা পালন কৰি অহা এই শিক্ষানুষ্ঠানখনে ইতিমধ্যে সগৌৰৱে ২৫ টা বৰ্ষ গৰকিবলৈ সক্ষম হৈছে। সেয়ে বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ সহযোগত শিক্ষানুষ্ঠানখনৰ ৰূপালী জয়ন্তী উৎসৱটি বছৰজোৰাকৈ বৰ্ণিল কাৰ্যসূচীৰে উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহন কৰিছে। সেই অনুসৰি শনিবাৰে শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোৰ পৰাই বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পুৱা এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বন্তি প্ৰজ্বলনৰ দ্বাৰা কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে নগাঁৱৰ সাংসদ প্ৰদ্যুত বৰদলৈয়ে। ইয়াৰ পিছতে অনুষ্ঠিত এক মনোগ্ৰাহী অনুষ্ঠানত সাংসদগৰাকীয়ে অনাগত দিনবোৰত শিক্ষানুষ্ঠানখনৰ সকলো কাম-কাজত সহায়-সহযোগিতা আগবঢ়াই যাব বুলি মন্তব্য কৰি শিক্ষানুষ্ঠানখনত ৰূপায়িত হ'বলগীয়া এক প্ৰকল্পলৈ সাংসদ পুঁজিৰ পৰা পাঁচ লাখ টকাৰ অনুদান প্ৰদানৰ কথা ঘোষণা কৰে। কবি সঞ্জীৱ সাগৰে আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মিহিৰাম ভূঞা, উদযাপন সমিতিৰ সভাপতি ধনঞ্জয় কুশ্ৰে, বিদ্যালয়ৰ প্ৰধান আচাৰ্য অজিত চন্দ্ৰ বৰা, সমাজকৰ্মী ধেনুৰাম নাথ, ভবেন চন্দ্ৰ মেধী, ৰিপুঞ্জয় শৰ্মা, প্ৰবীন অভিনেতা মোহন শইকীয়া, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, বেদব্ৰত ৰাজা, ভাস্কৰ শইকীয়াকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক উপস্থিত থাকে।

## খেৰবাৰীত গো-মাফিয়াৰ গুণ্ডাগিৰি, পাঁচটা চোৰাং গৰু জব্দ

# আৰক্ষীসহ স্থানীয় লোকক আক্ৰমণ চোৰাং গৰু ব্যৱসায়ীৰ






**ই-সংবাদ, গোলকগঞ্জ, ৪ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম পশ্চিমবংগ আৰু বাংলাদেশ সীমান্তৰ খেৰবাৰী চতুৰ্থ খণ্ড গাঁৱত বাংলাদেশলৈ গৰুৰ অবৈধ চালানত বাধা দিয়াৰ বাবে কালি সন্ধিয়া স্থানীয় ৰাইজক চোৰাং ব্যৱসায়ীয়ে আক্ৰমণ কৰে। ইয়াতে ক্ষান্ত নাথাকি আইনী প্ৰক্ৰিয়া হাতত লোৱা বাবে আৰক্ষী বিষয়াক আক্ৰমণ কৰা ঘটনাই সীমান্তত গৰুৰ চোৰাং ব্যৱসায়ীৰ দপদপনি পুনৰ প্ৰমাণ কৰিলে। উল্লেখ্য যে চোৰাং ব্যৱসায়ীয়ে বহিঃৰাজ্যৰ পৰা গো-ধনসমূহ আনি খেৰবাৰী চতুৰ্থ খণ্ড গাঁৱৰ বিভিন্ন লোকৰ ঘৰৰ আগে পিছে জমা কৰে। তাৰ পৰাই নিশা ছেগ বুজি কাঁইটীয়াতাৰ নথকা কালজানি নদী পথেৰে বাংলাদেশলৈ প্ৰেৰণ কৰে। নিজ মাটিত গৰু জমা কৰাত বাধা দিয়াৰ বাবে ইতিমধ্যে বহুবাৰ স্থানীয় ৰাইজৰ লগত চোৰাং ব্যৱসায়ীৰ কাজিয়া সংঘটিত হৈছিল। গাঁওখনৰ কৰিফুল আলী, মণ্টু আলী, সণ্টু আলী, আবুল আলী, আউৱাল আলী আৰু নুৰ জামাল হকে বাংলাদেশলৈ অবৈধ চোৰাং চালানৰ উদ্দেশ্যে গৰুবোৰ নিজ খেতি মাটিত অবৈধভাৱে সদায় জমা ৰখা বুলি আঠ নৰেশ্বৰত আব্বাছ আলীয়ে ধুবুৰী আদালতত এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত আগমনি আৰক্ষী কালি সন্ধিয়া গাঁওখনত উপস্থিত হৈ তদন্ত কৰি ঘূৰি অহাৰ পিছতে কৰিফুল, মণ্টু, সণ্টু, আবুল, আউৱাল আৰু নুৰজামালহঁতে এজাহাৰকাৰী আব্বাছ আলী আৰু তেওঁৰ পত্নী পাৰভিনা ইয়াজমিনক বেয়াকৈ মাৰপিট কৰে। খবৰ পাই পুনৰ আগমনি আৰক্ষী অপৰাধীক বিচাৰি যোৱাত সকলোৱে কাষৰে পশ্চিমবংগ লৈ পলায়ন কৰে। পিছদিনা পুনৰ কৰিফুল, মণ্টি, সণ্টুৱে আব্বাছ আলীৰ সমন্ধীয় ভাতৃ জহিৰুল হক আৰু তেওঁৰ পত্নী মৰ্জিনা বিবিক মাৰপিট কৰে। উল্লেখ্য যে গাঁওখনত আছে গৌৰ ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকী। চকীখনৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ শৰ্মাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই আক্ৰমণ কাৰীক খেদি যায়। ছেগ বুজি অভিযুক্ত নুৰ ইছলামৰ পত্নী ৰেহেনা বিবিয়ে ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ শৰ্মাক শাৰীৰিকভাৱে আক্ৰমণ কৰি ডিঙিৰ চেইন কাঢ়ি নিয়ে। খবৰ পাই আগমনি আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাত পুনৰ আটায়ে পশ্চিমবংগ লৈ পলায়ন কৰে। আৰক্ষীয়ে অভিযুক্তৰ ঘৰৰ পৰা পাঁচটা চোৰাং গৰু উদ্ধাৰ কৰে। মুঠতে সীমান্ত চকীখনত নামতহে আছে আৰক্ষী। আৰক্ষীৰ চকুৰ সন্মুখেৰে বাংলাদেশ লৈ চলে গৰুৰ অবৈধ চোৰাং চালান। দেখিও নেদেখা কুলিৰ ভাও ধৰি থাকে আৰক্ষী। সম্প্ৰতি সীমান্তৰ আৰক্ষী চকীখনত খোদ আৰক্ষীয়ে নিৰাপত্তাহীনতাত ভুগি থকা পৰিলক্ষিত হৈছে।

# আজি উৰিয়ামঘাটত হ'ব গাঁওবুঢ়া সন্থাৰ শ্বহীদ দিৱস

**ই-সংবাদ, সৰুপথাৰ, ৪ জানুৱাৰীঃ** সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাটৰ পূব ধনতোলাত বিগত বৰ্ষসমূহৰ দৰে চলিত বৰ্ষতো কাইলৈ ৪৫ সংখ্যক শ্বহীদ দিৱসৰ আয়োজন কৰা হৈছে। অসম-নাগালেণ্ড সীমা বিবাদক কেন্দ্ৰ কৰি ১৯৭৯ চনৰ ৫ জানুৱাৰীৰ পুৱতি নিশা নগা উগ্ৰপন্থীয়ে গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ কেইবাটাও পৰিয়ালৰ ঘৰ জ্বলাই নিঃশেষ কৰাৰ লগতে কেইবাজনো লোকক হত্যা কৰিছিল। তেনে অনুৰূপ ঘটনাই সংঘটিত হয় ২০১৪ চনৰ ১২ আগষ্টত। উৰিয়ামঘাট থানাৰ অন্তৰ্গত হালধিবাৰী লাচিত গাঁও পঞ্চায়তৰ অন্তৰ্গত চেইনপুৰ, মাজগাঁও, ৰজাপুখুৰী আৰু চেতিয়া গাঁৱৰ ভালেমান লোকক হত্যা কৰাৰ উপৰি ঘৰ-বাৰী জ্বলাই নিঃশেষ কৰিছিল। পৰৱৰ্তী সময়ত তদানীন্তন ধনশিৰি মহকুমাৰ গাঁওবুঢ়া সন্থাই কাইলৈৰ দিনটো শ্বহীদ দিৱস হিচাপে পালন কৰি আহিছে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা উক্ত দিৱসৰ কাৰ্যসূচী পতাকা উত্তোলনেৰে আৰম্ভ কৰা হ'ব। ইয়াৰ পিছতেবন্তি প্ৰজ্বলন, পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। তদুপলক্ষে অনুষ্ঠিত এক মুকলি সভাত এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশ প্ৰিয়ম জ্যোতি ফুকনে। সৰুপথাৰ সমজিলাৰ গাঁও প্ৰধান সন্থাৰ সভাপতি সহদেৱ খাকলাৰীৰ সভাপতিত্বত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব সংযুক্ত বড়ো গণ মঞ্চ কেন্দ্ৰীয় সমিতিৰ সাহিত্য সম্পাদক মহেশ্বৰ বসুমতাৰীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বড়ো কছাৰী স্বায়ত্তশাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰী। সভাত মুখ্য অতিথি হিচাপে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, কাজিৰঙা লোকসভা সমষ্টি সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জনাইছে। অনুষ্ঠানত ৰাইজৰ সহায় বিচাৰিছে আয়োজকে।

# কলগাছিয়াত ৰাইজৰ ধনেৰে মেৰামতি কৰিলে জৰাজীৰ্ণ কাঠৰ দলং

**ই-সংবাদ, কালগাছিয়া, ৪ জানুৱাৰীঃ** বৰপেটা জিলাৰ বালিকুৰি এন চি গাঁৱৰ ৪৪ নং জনতা গাঁও পঞ্চায়ৰ গাতে লাগি থকা এখন জৰাজীৰ্ণ কাঠৰ দলঙে জীয়াতু ভোগাইছে সৰ্বসাধাৰণ ৰাইজক। দলংখনৰ নাই কোনো বেৰিকেট। প্ৰায় প্ৰতিদিনেই সংঘটিত হৈ থাকে সৰু বৰ দুৰ্ঘটনা। অতি পৰিতাপৰ বিষয় হৈছে যে ভাৰত স্বাধীন হোৱাৰ পিছৰে পৰাই বালিকুৰি এন চি গাঁৱৰ ৰাইজে মৰা বেঁকীৰ ওপৰেদি প্ৰতি বছৰে বাঁহৰ সাঁকো বনাই পাৰ হ'বলগীয়া হৈছিল। জানিব পৰা মতে, প্ৰায় ১০ বছৰ পূৰ্বে বৰপেটা জিলাৰ প্ৰাক্তন সাংসদ ছিৰাজ উদ্দিন আজমলে MPLAD ফান্দৰ পৰা এখন কাঠৰ দলং নিৰ্মাণ কৰিছিল যদিও বৰ্তমান পূৰ্বতকৈ আৰু অধিক ভয়াবহ ৰূপ ধাৰণ কৰিছে দলংখনে। কিয়নো উক্ত দলংখনৰ পৰা প্ৰতি দিনাই দুৰ্ঘটনা সংঘটিত হৈয়েই থাকে। এই দলংখনক কেন্দ্ৰ কৰি কেইবাবাৰো বাতৰি সম্প্ৰচাৰিত হয় যদিও আজিলৈকে কোনো এজন জনপ্ৰতিনিধিয়ে কাণসাৰ দিয়া নাই। কেৱল নিৰ্বাচনৰ সময়ত জনপ্ৰতিনিধিয়ে এখন পকী দলং নিৰ্মাণ কৰি দিব বুলি কৈ বিভিন্ন প্ৰতিশ্ৰুতি দি ভোট সংগ্ৰহ কৰি জিকাৰ পিছত এই অঞ্চললৈ পিঠি দিয়ে। কিন্তু এইবাৰ তাৰ ব্যতিক্ৰম দেখিবলৈ পোৱা গৈছে। কাৰণ এফালে সমাগত পঞ্চায়ত নিৰ্বাচৰ গৰম বতাহ, আনফালে ওৱাজেদ খান আৰু ৰমজান আলী তালুকদাৰৰ মহানুভৱতা। কিয়নো ৰাইজৰ সুবিধাৰ্থে গাঁঠিৰ ধনেৰে মেৰামতি কৰি আছে জৰাজীৰ্ণ দলংখন। কামৰ অগ্ৰগতি দেখি জনতা পঞ্চায়তৰ ৰাইজে ভূয়সী প্ৰশংসা কৰাৰ লগতে অনাগত পঞ্চায়ত নিৰ্বাচনত ওৱাজেদ খান আৰু ৰমজান আলী তালুকদাৰক বিপুল ভোটেৰে জয়ী কৰাব বুলি আশ্বাস দিয়ে। ৰাইজে এই ঠাইত এখন পকী দলং নিৰ্মাণ কৰাৰ বাবে মুখ্যমন্ত্ৰীক দাবী জনাইছে।

# মায়ঙত মৰিগাঁও জিলা সাহিত্য সভাৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, মৰিগাঁও, ৪ জানুৱাৰীঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশনখন আজিৰে পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ঐতিহ্যমণ্ডিত মায়ঙত অনুষ্ঠিত হৈছে। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ দিপন চন্দ্ৰ নাথ সমন্বয় ক্ষেত্ৰত আনুষ্ঠিত এই অধিৱেশনৰ আজি পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই। মূল পতাকাৰ সমান্তৰালকৈ আন ৩৩ খন পতাকা উত্তোলন কৰে বৃহত্তৰ মায়ং আঞ্চলৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে জিলা সাহিত্য সভাৰ সম্পাদক ড০ অচ্যুত কুমাৰ দাস আৰু মায়ং শাখা সাহিত্য সভাৰ সম্পাদক দিলীপ শইকীয়াই। ইয়াৰ পিছতে প্ৰয়াত দিপন চন্দ্ৰ নাথৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ঘনশ্যাম নাথ আৰু অধিৱেশনৰ আদৰণি সমিতিৰ সম্পাদক নৱ ৰাজনে। পুৱাৰ ভাগতে এখন কবি সন্মিলন অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত এই কবি সন্মিলনখন উদ্বোধন কৰে কবি সন্মিলন উপ-সমিতিৰ সভাপতি স্মৃতিৰেখা গোহাঁইয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত প্ৰধান সম্পাদক দেৱজিৎ বৰা, বিশিষ্ট কবি আনিছ উজ জামান আৰু নিলীম কুমাৰ। আনহাতে আমন্ত্ৰিত অতিথি হিচাপে বিশিষ্ট কবি পোনা দেৱী মহন্ত আৰু অনিৰুদ্ধ ডেকা। সঞ্চালকৰ ভাষণত হৰেন্দ্ৰ বৰাই কয় যে কবিতাই মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে এজন কবিয়ে এখন সমাজৰ বাটকটীয়া হ'ব পাৰে। অনুষ্ঠানত নৱ ৰাজনৰ সম্পাদনাত প্ৰকাশিত এখন কাব্য পত্ৰিকা উন্মোচন কৰে ৰাজহ চক্ৰ বিষয়া প্ৰিয়াংকা গগৈয়ে। প্ৰায় ৬০ গৰাকী নবীন প্ৰবীন আৰু প্ৰতিষ্ঠিত কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। দুপৰীয়াৰ ভাগত 'মায়ঙৰ মন্ত্ৰ সাহিত্য' বিষয়ক এখন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। মুনীন্দ্ৰ বাংঠাই সঞ্চালনাত অনুষ্ঠিত এই আলোচনাচক্ৰখন উদ্বোধন কৰে মৰিগাঁৱৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। বিয়লি মহেন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অধিৱেশনৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি মিহিৰ হাজৰিকাই। সভাত অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা, কাৰ্যনিৰ্বাহ সদস্য হৰেন্দ্ৰ বৰা, পিনাকীভূষণ মহন্ত, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকা, প্ৰাক্তন উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, যুগল কিশোৰ চৌধুৰী, প্ৰাক্তন সম্পাদক ভুজেন ডেকা, জয়ন্ত কুমাৰ ডেকা, নৱনিৰ্বাচিত সম্পাদক কুশল কুমাৰ বৰা, প্ৰমুখ্যে বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। সভাখনৰ আঁত ধৰে সম্পাদক ড০ অচ্যুত কুমাৰ দাসে। নিশালৈ এটা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।কাইলৈ পুৱাই ভাগত এটা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু এখন মুকলি সভা অনুষ্ঠিত কৰা হ'ব।

# দুমুনিচকীত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**ই-সংবাদ, দুমুনিচকী, ৪ জানুৱাৰীঃ** কামৰূপ জিলাৰ দুমুনিচকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিপৰীতে IT Advance Computer Education প্ৰশিক্ষণ কেন্দ্ৰ শুকুবাৰে মুকলি কৰা হয়। কেন্দ্ৰটো শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী কিৰণ চন্দ্ৰ কাকতিয়ে। আনহাতে, অৱসৰপ্ৰাপ্ত শিক্ষক দিলোৱাৰ হুছেইনৰ লগতে স্থানীয় কেইবাজনো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত কেইবাগৰাকীও অভিভাৱকে কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠানখনত প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংস্থাপনত সহায় হ'ব বুলি আশা প্ৰকাশ কৰে। ইফালে, দুমুনিচকীৰ ছেলিম আক্ৰাম আৰু মাহমুদ হাছানে আৰম্ভ কৰা IT Advance Computer Education প্ৰশিক্ষণ কেন্দ্ৰটোলৈ স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে শুভেচ্ছা জ্ঞাপন কৰে। এই কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটোত CCA, DCA, ADCA, DDTP, PGDCA, MS OFFICE আদি পাঠ্যক্ৰম অতি কম মূল্যত সম্পূৰ্ণ কৰিব পাৰিব বুলি কৰ্তৃপক্ষই জনাইছে।

# নগাঁৱত বিভাগীয় পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ মন্ত্ৰী কৌশিক ৰয়ৰ




**ই-সংবাদ, পুৰণিগুদাম, ৪ জানুৱাৰীঃ** অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰয়ে বিভাগীয় কাম-কাজৰ বুজ লোৱাৰ উদ্দেশ্যেৰে আজি নগাঁৱত উপস্থিত হৈ নগাঁৱৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ আৰু বৈধ্য পৰিমাণ বিজ্ঞান বিভাগৰ বিষয়াসকলৰ লগত এক পৰ্যালোচনা বৈঠকত মিলিত হয়। জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে দৃশ্য-শ্ৰব্য মাধ্যমেৰে বৰ্তমান জিলাখনত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আৰু বৈধ্য পৰিমাণ বিজ্ঞান বিভাগৰ বিভিন্ন কাৰ্যাৱলীৰ বিষয়ে বৈঠকত অৱগত কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলাখনৰ ৰেচনকাৰ্ডৰ e-KYC ৰ স্থিতিৰ বুজ লৈ, ইয়াৰ কাম আগন্তুক মাঘ বিহুৰ আগতেই সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে। তদুপৰি মন্ত্ৰীগৰাকীয়ে সমবায় সমিতিসমূহৰ পৰিবহণ ব্যয় সময়মতে মুকলি কৰি দিবলৈ আৰু জিলা মূল্য নিৰীক্ষণ টাস্ক ফৰ্চৰ সভাখন মাহেকীয়া হিচাপে অনুষ্ঠিত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়। তদুপৰি মন্ত্ৰীগৰাকীয়ে বৈধ পৰিমাণ বিজ্ঞান বিভাগৰ বিষয়াসকলক নিয়মীয়াকৈ জিলাখনৰ পেট্ৰ'ল পাম্পৰ লগতে গেলামালৰ দোকান, ৱেব ব্ৰিজ, পেৰিফেৰি শ্বপ (Periphery Shop) আদি নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেওঁ চৰকাৰে জনসাধাৰণৰ বাবে গ্ৰহণ কৰা বিভাগীয় আঁচনিসমূহ সফল ৰূপায়ণৰ বাবে উপস্থিত সকলোকে নিষ্ঠা সহকাৰে নিজৰ কৰ্ম সম্পাদন কৰিবলৈ আহ্বান জনায়। আজিৰ এই বৈঠকত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামী, ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, শ্ৰী এন আনন্দ, সঞ্চালক, ভূতত্ব আৰু খনি বিভাগ, আনন্দ কুমাৰ দাস, আয়ুক্ত, খাদ্য,ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, ৰহা সমজিলাৰ সমআয়ুক্ত ফিলিছ ভি এল এইছ হুংচাল, কলিয়াবৰ সমজিলাৰ সমআয়ুক্ত লিজা তালুকদাৰ, অতিৰিক্ত আয়ুক্ত কাকুমণি শইকীয়া, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, নগাঁৱৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক দ্বীপেন শৰ্মাকে প্ৰমুখ্য কৰি বিভাগীয় বিষয়াসকল, চেম্বাৰছ অৱ কমাৰ্চৰ প্ৰতিনিধিসকল আৰু পাইকাৰী ব্যৱসায়ী সন্থাৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# যোৰহাটৰ মালৌখাতত মিমাং বয়ন শিল্পৰ শুভাৰম্ভ

**ই-সংবাদ, পশ্চিম যোৰহাট, ৪ জানুৱাৰীঃ** যোৰহাটৰ পূৰ্বভাৰতী শৈক্ষিক ন্যাসে উত্তৰ-পশ্চিম যোৰহাটৰ মালৌখাতৰ ৰেখামণি বৰগোহাঁই গগৈৰ বাসগৃহ প্ৰাংগণত প্ৰতিষ্ঠা কৰা 'মিমাং- এখোজ স্বাৱলম্বীতাৰ দিশে...' বয়ন শিল্প অনুষ্ঠানটো ৪ জানুৱাৰীত গামোচাৰ বান্ধ খুলি দুৱাৰ মুকলি কৰে শৈক্ষিক ন্যাসৰক্ষী তন্ময়ীৰাণী নেওগে। পূৰ্বভাৰতীৰ বন্দিতা সীমাই উদ্দেশ্য ব্যাখ্যাত কয় যে মিমাং মানে অসম আৰু কেৰেলাৰ সাজ-পোচাক, সংস্কৃতি আৰু শিল্পৰ মিলন। দুয়োখন ৰাজ্যৰ খাদ্য-সামগ্ৰীৰ লগতে অন্যান্য বহুতো কথা আৰু কামত মিল আছে। সেয়ে মিমাং নামেৰে বয়ন শিল্প অনুষ্ঠানটো প্ৰতিষ্ঠা কৰা হৈছে। পৰম্পৰাগত বয়ন শিল্পৰ ঐতিহ্য, সংৰক্ষণ আৰু নতুনত্ব সংযোজনৰ জৰিয়তে স্থানীয় মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। এই উদ্দেশ্যেই প্ৰতিষ্ঠা কৰা এই শিল্প অনুষ্ঠানত কেৱল তাঁতশালেই নহয়, ফেব্ৰিকৰ দ্বাৰাও বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি বিক্ৰীৰ জৰিয়তে মহিলাসকলক স্বাৱলম্বী কৰা হ'ব। শৈক্ষিক ন্যাসৰ শিল্পীসকলে সমৱেত সংগীত পৰিৱেশন কৰি শুভাৰম্ভ কৰা সভাখনৰ আঁত ধৰে ন্যাসৰ বুলবুলি গড়ে। সভাত দ্বাৰ মুকলি কৰা তন্ময়ীৰাণী নেওগ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন গগৈ, স্থানীয় গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী পূৰ্ণিমা গগৈ, গাঁওপ্ৰধান জয়কান্ত দৰবধৰা আৰু জাৰ্মানীৰ পৰা অহা সৌষ্ঠভ তালুকদাৰে বক্তব্য আগবঢ়ায়। স্থানীয় সমাজকৰ্মী মনোৰঞ্জন গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ চন্দ্ৰ বৰা, সাংবাদিক ৰমেন শইকীয়া প্ৰমুখ্যে স্থানীয় ভালেসংখ্যক গণ্য-মান্য ব্যক্তি আৰু মহিলাসকলৰ লগতে পূৰ্বভাৰতী শৈক্ষিক ন্যাসৰ লগত ৰাজ্যখনতে জড়িত হৈ থকা বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।



যোৰহাটৰ মালৌখাতত মিমাং বয়ন শিল্পৰ শুভাৰম্ভৰ এটি মুহূৰ্ত

## একাংশ পৰিয়ালৰ বহু সংখ্যক ভাং গছ ধ্বংসৰ লগতে সক্ৰিয়নী

# নগৰবেৰা ভখুৱাদিয়াত নিষিদ্ধ ভাং খেতিৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**ই-সংবাদ, নগৰবেৰা, ৪ জানুৱাৰীঃ** কামৰূপ জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত ভখুৱাদিয়াত আজি অবৈধ ভাং খেতিৰ বিৰুদ্ধে অভিযান চলোৱা হয়। দীৰ্ঘদিনৰ পৰা উল্লেখিত অঞ্চলটোত একাংশ পৰিয়ালৰ চোতালে চোতালে অতি গোপনে ব্যৱসায় ভিত্তিত ভাং গছৰ খেতি কৰি আহিছে। আজি নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লাৱণ্য বড়োৰ নেতৃত্বত আৰু ভখুৱাদিয়া গাঁওৰক্ষী বাহিনীৰ সহযোগত এটা আৰক্ষীৰ দলে অঞ্চলটোৰ একাধিক পৰিয়ালৰ ঘৰৰ চোতালত থকা ভাং খেতিৰ বিৰুদ্ধে অভিযান চলাই খেতি কৰা লোকসকলৰ তিনি শতাধিক ভাং গছ ধ্বংস কৰি জ্বলাই দিয়ে। নিষিদ্ধ ভাং খেতিৰ বিৰুদ্ধে আৰক্ষীৰ এনে অভিযানক অঞ্চলটোৰ সচেতন ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। উল্লেখ্য যে গাঁওখনৰ বহু পৰিয়ালত এতিয়াও ভাং খেতি থকা বুলি স্থানীয় একাংশ লোকে সংবাদ মাধ্যমৰ আগত অভিযোগ কৰে। সেয়ে শীঘ্ৰে এনে ভাং খেতিৰ বিৰুদ্ধে পুনৰ আৰক্ষীক অভিযান অব্যাহত ৰাখিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# অবৈধ দুই গো-সৰবৰাহকাৰীক জে'ললৈ প্ৰেৰণ

**ই-সংবাদ, পৰ্বতঝোৰা, ৪ জানুৱাৰীঃ** বিটিআৰৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অবৈধ দুই গো সৰবৰাহকাৰীক আজি জে'ললৈ প্ৰেৰণ কৰে। প্ৰাপ্ত বাতৰি মতে, কাজিগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ দলে এক গোপন খবৰৰ ভিত্তিত যোৱা নিশা একমান বজাত অভিযান চলাই দুটাকৈ চোৰাং গৰু উদ্ধাৰ কৰে। পিছত তদন্ত চলাই আৰক্ষীয়ে দেৱীতোলাৰ পৰা মণি ৰাভা আৰু বৰভিটা গাৱঁৰ আজিজুল হক নামৰ দুজন অবৈধ গো সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক দুজনৰ বিৰুদ্ধে ০১/২০২৫ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি তদন্ত সাপেক্ষে দুয়োকে জে'ললৈ প্ৰেৰণ কৰে। চৰকাৰে প্ৰণয়ন কৰা গো সুৰক্ষা আইনক কেৰেপ নকৰি বড়ো ভূমিৰ পৰ্বতঝোৰা মহকুমা অঞ্চলৰ এচাম গো মাফিয়াই বহিঃ ৰাজ্যৰ পৰা উন্নত জাতৰ গৰু আমদানি কৰি




কাজিগাঁৱৰ বিভিন্ন পথেদি গো-ধনৰ চোৰাং সৰবৰাহ কৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। ইপিনে, বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঋষিকেষ দাসে এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই জালাবিলা ভিচিডিছিৰ শিলবাৰী অঞ্চলৰ পৰা আঠটাকৈ চোৰাং ম'হ আটক কৰে যদিও আৰক্ষীৰ উমান পাই ম'হ সৰবৰাহকাৰী পলাই সাৰে বুলি জানিব পৰা গৈছে।

# বিশ্বনাথৰ দলংগুৰিত পথ সুৰক্ষা মাহ উপলক্ষে সজাগতা সভা সম্পন্ন

**ই-সংবাদ, বিশ্বনাথ, ৪ জানুৱাৰীঃ** পথ সুৰক্ষা মাহ উপলক্ষে বিশ্বনাথ আৰক্ষীয়ে অব্যাহত ৰাখিছে সজাগতামূলক সভা। জিলাখনৰ বিভিন্ন প্ৰান্তত আয়োজন কৰাৰ দৰে আজিও বিশ্বনাথ জিলাৰ দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আয়োজন কৰা হয় পথ সুৰক্ষা সজাগতা সভাৰ। দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আৰু বিশ্বনাথ জিলা আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত হোৱা এই সজাগতামূলক সভাত অংশগ্ৰহণ কৰে বিদ্যালয়খনৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে। সচৰাচৰ পথ দুৰ্ঘটনাত ল'বলগীয়া সাৱধানতা আৰু সতৰ্কতা সম্পৰ্কে বিষদভাৱে আলোচনা কৰে জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকাৰ লগতে বিশ্বনাথ চাৰিআলি আৰক্ষী থানাৰ আৰক্ষী বিষয়া পৱন গায়নে । ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পথ সুৰক্ষা সজাগতাক লৈ আনকি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। বিশেষকৈ পথ সুৰক্ষা সজাগতা সম্পৰ্কত




সাংকেতিক চিহ্নৰে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে উপ-আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকাই। তদুপৰি সুৰক্ষাজনিত কাৰণত ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেলসমূহত পাৰাৱ ৰিফ্লেকটৰো লগোৱা হয়। সভাৰ শেষত দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিৰঞ্জন শইকীয়াৰ উপস্থিতিত সকলোকে লৈ শপত বাক্য পাঠ কৰোৱা হয়। এই বিশেষ সজাগতামূলক সভাখনৰ আঁত ধৰে বালিচাং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জোনমণি দাসে।

# চানডুবি মহোৎসৱত মন্ত্ৰী ৰঞ্জিত দাসৰ সংবাদমেল সম্বোধন

**ই- সংবাদ, মির্জা, ৪ জানুৱাৰীঃ** চানডুবিৰ বাকৰিত অনুষ্ঠিত হোৱা চানডুবি মহোৎসৱৰ চতুৰ্থ দিনা পৰ্যটন আৰু পৰ্যটক বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসে এক সংবাদমেলৰ আয়োজন কৰে। উক্ত সংবাদমেল সম্বোধন কৰি মন্ত্ৰী ৰঞ্জিত দাসে পৰ্যটন আৰু পৰ্যটকৰ ক্ষেত্ৰত থকা সাম্ভাব্যৰ বিভিন্ন দিশ আৰু সম্ভাৱনাৰ কথা বিশ্লেষণ কৰে। লগতে নতুনকৈ পৰ্যটন আৰু পৰ্যটক বিভাগৰ মন্ত্ৰীৰ আসনত বহা মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ ক্ষেত্ৰত যথেষ্ট কৰণীয় থকা বুলি মতপোষণ কৰে। আনহাতে, জলবায়ু নিয়ন্ত্ৰণ আৰু প্ৰকৃতি ধ্বংস ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে পদক্ষেপ গ্ৰহণ কৰাৰ কথা বিভাগীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে বিভিন্ন অভিলাষী আঁচনি মুকলি কৰি দিয়াৰ কথাও উল্লেখ কৰে। মন্ত্ৰী ৰঞ্জিত দাসে সম্বোধন কৰা সংবাদমেলখনত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ



ঠাকুৰীয়া, চানডুবি পৰ্যটন আৰু পৰ্যটক বিভাগৰ অধ্যক্ষা নিলীমা খাতুনৰ লগতে বিষয়ববীয়াসকল। চানডুবি পৰ্যটন আৰু পৰ্যটক কাৰ্যলয়ৰ অধ্যক্ষা নীলিমা খাতুনৰ তত্বাৱধানত চানডুবিৰ পৰিৱেশ-পৰিস্থিতিৰ উন্নয়ন হোৱাৰ কথা মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। উল্লেখ্য যে চানডুবিৰ ঐতিহ্য আৰু চানডুবি বিলখনৰ সুৰক্ষা ক্ষেত্ৰত ৰাইজক সজাগ-সচেতন হৈ প্ৰকৃতি ধ্বংসকাৰী দুষ্কৃতিকাৰীৰ বিৰুদ্ধে মাৰবান্ধি থিয় হ'বলৈ মন্ত্ৰীগৰাকীয়ে সংবাদমেলৰ জৰিয়তে আহ্বান জনায়।

# ৰঙিয়াত লোকগীতৰ সম্ৰাট ৰামেশ্বৰ পাঠকৰ মৃত্যু তিথি উদযাপন

**ই-সংবাদ, ৰঙিয়া, ৪ জানুৱাৰীঃ** ৰঙিয়াৰ অন্যতম আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান সন্ধান কলা কৃষ্টি বিকাশ ছ'চাইটীৰ উদ্যোগত আজি লোকগীতৰ সম্ৰাট ৰামেশ্বৰ পাঠকৰ মৃত্যু তিথি উদযাপন কৰা হয়। ৰঙিয়া ৰাইজমেল কৃষক ছহিদ ভৱন প্ৰাংগণত দিনজোৰাকৈ অনুষ্ঠিত কৰা কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গৌৰাংগ নাথে। বিশিষ্ট সমাজ সেৱিকা লাৱণ্য লহকৰে লোকগীতৰ সম্ৰাট ৰামেশ্বৰ পাঠকৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে।কাৰ্যসূচীৰ অংশ হিচাপে সদৌ অসম ভিত্তিত কামৰূপী লোকগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতাই। কাৰ্যসূচীত বিশিষ্ট অতিথিৰূপে প্ৰসিদ্ধ শিল্পী তথা ৰামেশ্বৰ পাঠকৰ সহধৰ্মিণী ধনদা পাঠক উপস্থিত থাকি সন্ধান কলা কৃষ্টি বিকাশ ছ'চাইটীয়ে লোকগীতৰ সংৰক্ষণৰ লগতে প্ৰয়াত লোক শিল্পী ৰামেশ্বৰ পাঠকৰ স্মৃতি যুগমীয়া কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। কাৰ্যসূচীৰ মাজতে কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকা প্ৰমুখ্যে আন কেবাগৰাকী স্থানীয় সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। ইফালে, সামৰণিৰ কাৰ্যসূচী ৰূপে অনুষ্ঠিত কৰা মুকলি সভাত বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়।

# চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধাৰ গ্ৰন্থ সংকলন পাদুকা উন্মোচন

**ই-সংবাদ, মৰিয়নি, ৪ জানুৱাৰীঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলৰ সংবাদ কৰ্মী, গল্পকাৰ, কবি, প্ৰবন্ধকাৰ মদন মোহন পাগবন্ধাৰ নৱতম ভৌতিক আৰু ৰহস্য গল্প সংকলন 'পাদুকা-এযোৰ চেন্দেল' পহিলা জানুৱাৰীৰ দিনা অসম সাহিত্য সভাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ লক্ষ্মীৰাম বৰুৱা সদন প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। উল্লেখ্য যে গ্ৰন্থ প্ৰকাশন ১৭ বছৰ অভিজ্ঞতা সম্পন্ন বৰ্ণ প্ৰিন্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছৰ উদ্যোগত অনুষ্ঠিত কৰা পাণ্ডুলিপি প্ৰতিযোগিতাত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল এই পাণ্ডুলিপিটোৱে। বিশিষ্ট সাহিত্যিক, অধিবক্তা তথা বৰ্ণ প্ৰিন্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছৰ আইন উপদেষ্টা অনন্ত ৰাম মেধিয়ে বন্তি প্ৰজ্বলন কৰা 'প্ৰতিদিন টাইম'ৰ ডেস্ক এডিটৰ মৃণাল ঠাকুৰীয়াই আঁত ধৰা গ্ৰন্থ উন্মোচনী আৰু বঁটা বিতৰণী অনুষ্ঠানটোত জনপ্ৰিয় আবৃত্তিকাৰ ড০ অঞ্জন জ্যোতি চৌধুৰী, বিশিষ্ট লেখক নন্দ সিং বৰকলা, ড০ জগদীশ পাটগিৰি, ড০ ভুৱন গোস্বামী আদিকে ধৰি বহু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে গুৱাহাটীত চলি থকা গ্ৰন্থমেলাৰ বৰ্ণ প্ৰিন্টাৰছ আৰু পাব্লিকেচনৰ বিপণীত উপলব্ধ হ'ব এই গল্প সংকলনখনি।

# গ্ৰাম্য সাংবাদিকতা বঁটাৰ বাবে আবেদন পত্ৰ আহ্বান

**ই-সংবাদ, মৰিয়নি, ৪ জানুৱাৰীঃ** যোৰহাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী চেলেংহাট অঞ্চলত ২০২০ চনত প্ৰতিষ্ঠা লাভ কৰা চেলেংহাট প্ৰেছ ক্লাবে এই বৰ্ষৰ পৰা গ্ৰাম্য অঞ্চলৰ সংবাদকৰ্মীসকলক সামৰি এটা গ্ৰাম্য সাংবাদিকতা বঁটা ঘোষণা কৰিছে। নগদ ৫০০০/ টকা, স্মাৰক, গ্ৰন্থ টোপোলা, গলবস্ত্ৰ আৰু মানপত্ৰ সম্বলিত এই বঁটাৰ বাবে ৰাজ্যখনৰ গ্ৰাম্য সংবাদকৰ্মীসকলৰ পৰা ২০২৪ চনৰ পহিলা জানুৱাৰীৰ পৰা ২০২৪ বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত ছপা মাধ্যম বা বৈদ্যুতিক মাধ্যমত প্ৰকাশিত তিনিটা বাতৰিৰ নমুনা অহা ২০ জানুৱাৰীৰ ভিতৰত পোৱাকৈ মদন মোহন পাগবন্ধা, চিৰাখুন্দা গাঁও, পোঃ অঃ ভূএগ্ৰাহাট, ডাক সূচাংকঃ ৭৮৫৬৮০ ঠিকনাত পঠাব পাৰিব। উক্ত প্ৰতিযোগিতা সম্পৰ্কত ৭০০২১৭৮৯৬৩ নাইবা ৮৮২২৮৬৫১১০ নম্বৰত যোগাযোগ কৰিব পাৰিব। সদৌ অসম ভিত্তিত প্ৰদান কৰিবলগীয়া এই বঁটা অহা ফেব্ৰুৱাৰী মাহত হ'ব লগা চেলেংহাট প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত প্ৰদান কৰা হ'ব।

# বাঘমাৰা চৰত বিধ্বংসী অগ্নিকাণ্ডত লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত

**ই-সংবাদ, শিমলীতোলা, ৪ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতি চৰ থানাৰ অন্তৰ্গত ২ নং বাঘমাৰা চৰৰ এটি পৰিয়ালৰ গৃহত আজি দিনৰ আনুমানিক ১১ বজাত এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়।২ নং বাঘমাৰা চৰৰ আয়নাল হকৰ ঘৰত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাত পৰিয়ালটোৰ এটি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহসহ প্ৰায় ২৫ কুণ্টইল ধান, নগদ ধন ৩০ হাজাৰ টকা, আ-অলংকাৰ, নথি-পত্ৰ আৰু আচবাব পত্ৰৰ লগতে প্ৰায় ৩ লাখ মান টকাৰ সা-সম্পত্তি আদি অগ্নিকাণ্ডত জাহ যায়। ক্ষতিগ্ৰস্ত পৰিয়ালটোক সাহায্য আগবঢ়াবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে অঞ্চলবাসীয়ে। ইপিনে, ভুক্তভোগী দুখীয়া কৃষকজনেও সৰ্বস্ব হেৰুৱাই চৰকাৰক সহায় কৰিবলৈ কাতৰ আহ্বান জনাইছে।

# বৰমাত চিনেমাৰ ষ্টাইলত চোৰে লুটিলে কেইবা লক্ষাধিক টকাৰ সামগ্ৰী

**ই-সংবাদ, বৰমা, ৪ জানুৱাৰীঃ** সমগ্ৰ বৰমা অঞ্চলতে এতিয়া চোৰৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পাইছে। বিগত মাহত বৰমা অঞ্চলত তিনিটাতকৈও অধিক চুৰিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। একেদিনাই দিনৰ ভাগতো চোৰে লুটি নিছিল দুটাকৈ পৰিয়ালৰ সা-সামগ্ৰী। কিন্তু বৰমা আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰিয়েই যেন দায়িত্ব সামৰিছে। তাৎপৰ্যপূৰ্ণভাৱে যোৱা নিশা বৰমাত পুনৰ চুৰিকাণ্ড সংঘটিত হয়। বৰমা আৰক্ষী থানাৰ পৰা প্ৰায় ৩০০ মিটাৰ দূৰত্বত থকা ছিজেঁ এণ্টাৰপ্ৰাইজ নামৰ হাৰ্ডৱেৰ দোকানখনত ছাটাৰ (দৰ্জা)ভাঙি চোৰে লুট-পাত চলায়। চিনেমাৰ ষ্টাইলত চোৰে দোকানখনৰ পৰা লুটি নিয়ে নগদ ধনসহ লক্ষাধিক টকাৰ সামগ্ৰী। ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপতে থকা হাৰ্ডৱেৰ দোকানখনৰ ছাটাৰ ভাঙি আজৱ কায়দাৰে চোৰে দোকানৰ ভিতৰলৈ গাড়ী সুমুৱাই দি দোকানত থকা প্ৰায় ৭ লাখ টকাৰ বিভিন্ন সমগ্ৰী আৰু নগদ ধন লুটি লৈ যায় বুলি দোকানৰ স্বত্বাধিকাৰী ত্ৰিকেন্দ্ৰজিৎ বৰ্মনে জানিবলৈ দিয়ে। দোকানখনৰ ভিতৰে বাহিৰে চিচি কেমেৰা সংস্থাপন কৰা আছিল যদিও সমগ্ৰ ভিজুৱেল চোৰে ডিলিট কৰি যোৱা বুলি জানিবলৈ দিয়ে স্বত্বাধিকাৰীয়ে। ঘটনা সন্দৰ্ভত দোকানখনৰ স্বত্বাধিকাৰী ত্ৰিকেন্দ্ৰজিৎ বৰ্মনে বৰমা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। ঘটনাস্থলীত বৰমা আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মদন চন্দ্ৰ কলিতা, বাক্সাৰ অতিৰিক্ত আৰক্ষী আয়ুক্ত গীতাৰ্থ দেৱ শৰ্মা উপস্থিত হৈ চুৰিকাণ্ডৰ ঘটনাৰ বুজ লয়। সম্প্ৰতি আৰক্ষীয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## নলা নিৰ্মাণত ফলীয়া শিলৰ পৰিৱৰ্তে ব্যৱহাৰ কৰিলে নিম্নমানৰ নদীৰ শিল

# গহপুৰত মুখ্যমন্ত্ৰী নগৰীয়া পকী পথ আঁচনিত ব্যাপক দুৰ্নীতি, নিম্নমানৰ সামগ্ৰী ব্যৱহাৰৰ অভিযোগ

**ই-সংবাদ, গহপুৰ, ৪ জানুৱাৰীঃ** গহপুৰ সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখতে সংঘটিত হৈছে ব্যাপক দুৰ্নীতি। গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাৰ সমষ্টিত মুখ্যমন্ত্ৰী নগৰীয়া পকীপথ আঁচনিৰ অধীনত এটা নলা নিৰ্মাণৰ কামত দুৰ্নীতি সংঘটিত কৰিছে ঠিকাদাৰ জনৈক আগৰৱালাই। ফলীয়া শিলৰ (broken chips) পৰিৱৰ্তে ব্যৱহাৰ কৰিছে অতি নিম্নমানৰ নদীৰ আইৰনযুক্ত শিল। উক্ত কামটোৰ বাবে অনুমোদন হৈছে ২ কোটি ১৮ লাখ টকা, কিন্তু উক্ত আঁচনিৰ কোনো নিয়মাৱলী পালন নকৰাকৈ চৰকাৰৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাই লাখ লাখ টকা আত্মসাৎ কৰাৰ চেষ্টা কৰিছে ঠিকাদাৰ জনৈক আগৰৱালাই। তদুপৰি এই দুৰ্নীতিত ইঞ্জিনীয়াৰেও সহযোগিতা কৰা বুলি অভিযোগ উত্থাপিত হৈছে। কিয়নো উক্ত নলা নিৰ্মাণৰ কামটোৰ বাবে স্থানীয় লোকে ইঞ্জিনীয়াৰ জনৈক লিম্বুক ঠিকাদাৰে কৰা দুৰ্নীতি বিষয়ে অৱগত কৰাত অভিযন্তাগৰাকীয়ে চালে-বেৰে কোবোৱা উত্তৰ দি ঠিকাদাৰক ৰক্ষণাবেক্ষণ দিয়াৰ চেষ্টা কৰে। সমজিলা আয়ুক্ত কাৰ্যলয়ৰ সন্মুখতে এনে বৃহৎ দুৰ্নীতি কৰিবলৈ ঠিকাদাৰ বা ইঞ্জিনীয়াৰে কেনেকৈ সাহস পালে বুলি প্ৰশ্ন উত্থাপন হৈছে।

# নলবাৰীত নিজ গৃহৰ পৰাই মহিলা সন্ধানহীন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৪ জানুৱাৰীঃ** নলবাৰী জিলাৰ আৰক্ষী অধীক্ষক কাৰ্যালয়ৰ পৰা এক জাননী যোগে জনোৱা অনুসৰি নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত কাতুৰীয়া গাঁৱৰ ৰুকচানা ৰাণী নামৰ মহিলা এগৰাকী যোৱা ২১/১০/২০২৪ ইং তাৰিখৰ পৰা নিজ গৃহৰ পৰা সন্ধানহীন হৈ আছে। উল্লেখ্য যে ২২ বছৰীয়া মহিলাগৰাকীৰ দেহৰ বৰণ বগা। পাতল সেউজীয়া ৰঙৰ মেক্সি পৰিহিত মহিলাগৰাকীৰ চুলিৰ বৰণ ক'লা। ৫ ফুট ৫ ইঞ্চি ওখ মহিলাগৰাকী অসমীয়া আৰু হিন্দী উভয় ভাষাতে কথা ক'ব পাৰে। মহিলাগৰাকীৰ কিবা সন্ধেদ পালে ০৩৬২৪২২৩৩৫৬ আৰু ৬০২৬৯০০৯৬৫ নম্বৰত যোগাযোগ কৰিবলৈ আৰক্ষীৰ তৰফৰ পৰা অনুৰোধ জনাইছে।

# এয়াই প্ৰকৃত অসম! পানেৰীত হিন্দু-মুছলমানে একেলগে সাজিলে মেজি-ভেলাঘৰ

**ই-সংবাদ, ডিমাকুছি, ৪ জানুৱাৰীঃ** হেঁপাহৰ ভোগালী বিহুলৈ মাত্ৰ কেইটামান দিন বাকী। ৰাজ্যত এতিয়া ইংৰাজী নৱবৰ্ষক আদৰাৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আকৌ ভোগালীক আদৰিবলৈও সাজু হৈ পৰিছে সমগ্ৰ ৰাজ্যবাসী। বিশেষকৈ গ্ৰামাঞ্চলসমূহত ৰাজ্যজুৰি এতিয়া দিনে-নিশাই পুৰুষ-মহিলা, যুৱক-যুৱতী সকলোৰে ভোগালীক আদৰাক লৈ ব্যাপক উৎসাহ-উদ্দীপনাৰে সীমাহীন ব্যস্ততাৰে উঠি-পৰি লাগিছে। মুঠৰ ওপৰত এতিয়া বিভিন্ন কৰ্মব্যস্ততাৰ মাজতো যুৱক-যুৱতী, পুৰুষ-মহিলা সকলোৰে ব্যস্ততাৰ অন্ত নাইকিয়া হৈ পৰিছে। ৰাজ্যৰ চৌদিশে আৰম্ভ হৈছে ব্যতিক্ৰমী ভেলাঘৰ নিৰ্মাণৰ অঘোষিত প্ৰতিযোগিতা। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে হেঁপাহৰ ভোগালীক আদৰিবলৈ দিনে-নিশাই ব্যস্ত হৈ পৰিছে ভেলাঘৰত চহা জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰি তুলিবলৈ ওদালগুৰি জিলাৰ পানেৰীবাসী। ভোগালীক আদৰাক লৈ পানেৰীত এক ব্যতিক্ৰমী প্ৰতিচ্ছবি প্ৰতিফলিত হৈ উঠিছে। অৰ্হনিশে একেলগে বাস কৰা গাঁওখনত এতিয়া হিন্দু-মুছলমানৰ ভেদ-ভাব নাৰাখি হিন্দু-মুছলমান সকলো ওলাই সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰি মিলা-প্ৰীতিৰ এনাজৰী ডাল মজবুত কৰিবলৈ হিন্দু-মুছলমানে পৰাম্পৰাগতভাৱে সাজিবলৈ লৈছে এটা দুমহলীয়া ভেলাঘৰ, ৰকেট আৰু এখন গাড়ী। পানেৰীত হিন্দু-মুছলমানে অসমীয়াৰ পৰম্পৰা ধৰি ৰখাৰ লগতে সম্প্ৰীতিৰ এনাজৰী কটকটীয়া কৰি তুলিবলৈকেইগৰাকীমান যুৱকৰ প্ৰচেষ্টাৰ এতিয়া সকলোৰে একেমুখে শলাগ লৈছে। ইংৰাজী নৱবৰ্ষৰ প্ৰথম নিশাৰ পৰাই নৱবৰ্ষক আদৰাৰ পৰিৱৰ্তে ভোগালীক আদৰিবলৈ নিশাও ওলাই আহি আনন্দত মতলীয়া হৈ নাচি-বাগি পুৰুষ-মহিলা, যুৱক-যুৱতীসকলে দিনে-নিশাই ব্যস্ত হৈ পৰিছে ভেলাঘৰ নিৰ্মাণত।

# ডিমাকুছিৰ বৰংগাজুলি সত্ৰৰ বাকৰিত বিহু নৃত্যৰ প্ৰশিক্ষণ

**ই-সংবাদ, ডিমাকুছি, ৪ জানুৱাৰীঃ** ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্তৰ ডিমাকুছিত অনুষ্ঠিত হ'বলগীয়া ৬৪ সংখ্যক বড়ো সাহিত্য সভাৰ অধিৱেশনৰ বাবে ডিমাকুছিৰ প্ৰান্তে-প্ৰান্তে বিভিন্ন জাতি-জনগোষ্ঠীৰ হাজাৰ-হাজাৰ যুৱক-যুৱতীক বিভিন্ন নৃত্য-গীতৰ প্ৰশিক্ষণ দি তীব্ৰ প্ৰস্তুতি চলাইছে উদযাপন সমিতিয়ে। ডিমাকুছিৰ দৈমু নগৰত  এক বৰ্ণিল কাৰ্যক্ৰমণিকাৰে ৪ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন হ'ব ৬৪ সংখ্যক বড়ো সাহিত্য সভা। বড়ো সাহিত্য সভালৈ মাজত মাথোঁ ৬ টা দিন বাকী। ইতিমধ্যে ৬৪ সংখ্যক বড়ো সাহিত্য সভা অধিৱেশনৰ প্ৰস্তুতি তুংগত কৰি তুলিছে। ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ হাজাৰ-হাজাৰ লোকেৰে উদুলি-মুদুলি হৈ পৰিব ডিমাকুছিৰ দৈমু নগৰৰ পথাৰ। যদিও বড়ো সাহিত্য সভা অহা ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব, অৱশ্যে ৬ জানুৱাৰীৰ পৰাই বিভিন্ন প্ৰদৰ্শনী মেলা, গ্ৰন্থমেলা, বিপণীসমূহ মুকলি কৰিব বড়ো সাহিত্য সভাৰ বাকৰিত। এতিয়াৰ পৰাই বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্যসমূহৰ আখৰাই ডিমাকুছিৰ দৈমু পথাৰৰ পৰিৱেশ উদুলি-মুদুলি কৰি তুলিছে। খেৰাই, বাগুৰুম্বা, বৰদৈচিখলাৰ সমান্তৰালকৈ প্ৰশিক্ষণ দিয়া হৈছে অসমীয়াৰ হিয়াৰ আমঠু বিহু নৃত্যৰ। বৰংগাজুলি সত্ৰ প্ৰাংগণত বিহু প্ৰশিক্ষক দিপু ডেকাৰ জৰিয়তে প্ৰতিদিনে দি আহিছে বিহু নৃত্যৰ প্ৰশিক্ষণ। মুঠৰ ওপৰত যুদ্ধকালীন ক্ষীপ্ৰতাৰে বিভিন্ন উপ-সমিতিসমূহে আৰম্ভ কৰিছে নিজৰ নিজৰ কাম-কাজ। প্ৰতিটো বিভাগে নিয়াৰিকৈ চলাই নিছে সকলো দায়িত্ব আৰু কাম-কাজ। পাঁচ শতাধিক যুৱক-যুৱতী অভিবাদন জনাবলৈ সাজু হৈছে নৱ নিৰ্বাচিত বড়ো সাহিত্য সভাৰ সভাপতিক। তাৰ বাবে দৈমু পথাৰত চলিছে কুচকাৱাজ। ডিমাকুছি অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই কুচকাৱাজত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। নিজৰ পাঠ্যক্ৰম শেষ কৰি এই কুচকাৱাজত অংশগ্ৰহণ কৰিছে ছাত্ৰ-ছাত্ৰীয়ে। বিভিন্ন জাতি-জনগোষ্ঠীৰ জাতীয় নৃত্য গীত, বৰ্ণময় লোক কৃষ্টিৰ সমাহাৰ হ'ব বড়ো সাহিত্য সভাত। সকলো জাতি-জনগোষ্ঠীৰ সহযোগত  চলিছে বড়ো সাহিত্য সভা অধিৱেশনৰ কাম-কাজ।

# খেৰণি পথাৰ প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী

**ই-সংবাদ, মথুৰাপুৰ, ৪ জানুৱাৰীঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত সোণাৰি(চেপন) প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনৰ দিহৈ ৰাঙলী অঞ্চলৰ অন্যতম অগ্ৰণী প্ৰাথমিক শিক্ষানুষ্ঠান খেৰণি পথাৰ প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ আজিৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। আজি পুৱা সামূহিক চাফাই কৰাৰ পাছতেই ধনীৰাম বৰুৱা সোঁৱৰণি মূল প্ৰৱেশদ্বাৰ মুকলি কৰে সমাজকৰ্মী মহেশ চেতিয়াৰ লগতে দাতা পৰিয়ালবৰ্গৰ হৈ কিৰণ বৰুৱাই। পুৱা ৯.৩০ বজাত অঞ্চলটোৰ বিশিষ্ট ৫০ গৰাকী ব্যক্তিৰ সৈতে একেলগে মূল পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট লেখক তথা উদযাপন সমিতিৰ সভাপতি দুৰ্গাধৰ দিহিঙীয়াই। পুৱা ৯.৪৫ বজাত স্মৃতি তৰ্পণ কৰে উদযাপন সমিতিৰ মুখ্য সম্পাদক ভৱত বৰুৱা আৰু বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ভৱত বাইলুঙে। পুৱা ১০.০০ বজাত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক চেনিৰাম হাজৰিকাই গছপুলি ৰোপণ কৰাৰ পাছতেই মূল মঞ্চ উদ্বোধন কৰে দিহৈ ৰিজাৰ্ভ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ধ্ৰুৱকান্ত পাতিৰিয়ে। ইয়াৰ পিছতে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অনুদানেৰে নিৰ্মাণ কৰি উলিওৱা পুথিভঁৰাল উন্মোচন কৰে ডিপ্লিং তিনি আলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কৈলাশ গগৈয়ে। পুৱা ১০.৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহ উদ্বোধন কৰে নেমুপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপিন শইকীয়াই। বিয়লি ২.৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা ‘ছাত্ৰ-ছাত্ৰী শৈক্ষিক যাত্ৰাত নতুন শিক্ষানীতি’ শীৰ্ষক আলোচনা চক্ৰটি সঞ্চালনা কৰে বিশ্ৰামপুৰ উচ্চ



মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিৰেন বৰুৱাই। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমবেত সংগীত পৰিৱেশন কৰি আৰম্ভ কৰা আলোচনা চক্ৰটিত শিক্ষাবিদ জয়ন্ত চুতীয়া, অতনু বৰা, জ্যোৎস্না কামান, অংকিতা পুৰকায়স্থ, ফণীধৰ দত্ত, কমল পাংগিং আদিয়ে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। বিয়লি ৪.০০ বজাত ন-পুৰণি শিক্ষক সন্মিলনখনি সঞ্চালনা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক লোহিত গগৈয়ে। সন্ধিয়া ৫.৩০ বজাত বন্তি প্ৰজ্বলন কৰাৰ পাছতে অনুষ্ঠিত কৰা এটি বিচিত্ৰা অনুষ্ঠানে প্ৰথম দিনাৰ কাৰ্যসূচী সামৰণি মৰাৰৰ লগতে কাইলৈ পুৱাৰ পৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ, স্মৃতি গ্ৰন্থ উন্মোচন, মুকলি সভা আদি অনুষ্ঠিত হ’ব। মুকলি সভাত সাংসদ গৌৰৱ গগৈ, অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱ, চৰাইদেউ জিলা সাহিত্য সভাৰ সভাপতি নিৰঞ্জন ফুকন, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ আদি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী মাধৱ ৰঞ্জন আৰু গীতিমণি বৰগোহাঁয়ে গীত পৰিৱেশন কৰিবলগীয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহনে।

# নিজম-নিতাল অসম-অৰুণাচল সীমান্তৰ ঐতিহাসিক চিজুচাৰ বনভোজস্থলী

**ই-সংবাদ, চতিয়া, ৪ জানুৱাৰীঃ** প্ৰকৃতিৰ ৰম্যভূমি অসম-অৰুণাচল সীমান্তৰ চিজুচাত নাই আগৰ সেই পৰিৱেশ।চিজুচা পিকনিক স্থলীত আজি নাই তাহানিৰ সেই দিন। আগৰ দৰে এতিয়া আগমন নহয় ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনভোজ প্ৰেমী দলৰ। এতিয়া সম্পূৰ্ণ ব্যৱসায়িক ঘাটিলৈ পৰিণত হৈছে প্ৰকৃতিৰ সৃষ্টি চিজুচা। আগৰ নান্দনিক পৰিৱেশত এসাজ তৃপ্তিৰে খোৱাৰ দিন আৰু নাই। ২০২৪ বৰ্ষক বিদায় দি ২০২৫ বৰ্ষক আদৰি লোৱাৰ উদ্দেশ্যে চিজুচাৰ পিকনিক স্থলীত আগৰ বছৰৰ দৰে এইবাৰ নৱবৰ্ষত প্ৰত্যক্ষ নহ’ল সেই অগণন বনভোজ প্ৰেমীৰ দলৰ। পিকনিক স্থলী পৰিচালনা সমিতিয়ে অত্যাধিক প্ৰৱেশ মাচুল সংগ্ৰহ কৰাৰ বাবেই অতি কম সংখ্যক বনভোজ দল প্ৰত্যক্ষ হ’ল চিজুচাৰ পিকনিক স্থলীত। আনহাতে, অসম সীমান্তৰ চিজুচাৰ পিকনিক স্থলীৰ সমান্তৰাল কৈ অৰুণাচল প্ৰদেশৰ পাকে নদীৰ ঘাটত নিম্নতম প্ৰৱেশ মাচুল লৈ এই বছৰ নতুনকৈ পিকনিক স্থলীৰ ব্যৱস্থা কৰিছে অৰুণাচলবাসীয়ে। যাৰ ফলত বৰ্তমান অস্তিত্বৰ গৰাহত পৰিছে অসম-অৰুণাচল সীমান্তৰ চিজুচাৰ পিকনিক স্থলী।



নিজম-নিতাল অসম-অৰুণাচল সীমান্তৰ ঐতিহাসিক চিজুচাৰ বনভোজস্থলী, ফটোঃ ই-সংবাদ, চতিয়া

# চামগুৰিৰ বৰমাবিলত পাঁচটা চোৰাং গৰুসহ বিলাসী গাড়ী জব্দ

**ই-সংবাদ, পুৰণিগুদাম, ৪ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা বৰমাবিল অঞ্চলত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই এখন বিলাসী বাহনকে ধৰি পাঁচটা চোৰাং গৰু জব্দ কৰাৰ লগতে তিনিজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঋতুপৰ্ণ বনিয়াৰ নেতৃত্বত এটা আৰক্ষী দলে যোৱা নিশা এক গোপন খবৰৰ ভিত্তিত বৰমাবিল অঞ্চলত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত বৰমাবিল অঞ্চলৰ হাছেন আলি নামৰ লোকজনৰ ঘৰত আৰক্ষীৰ দলটোৱে অভিযান চলাই পাঁচটা চোৰাং গৰু ৰছীৰে ভৰি বান্ধি এ এছ-১২ এ জি-৬৪২২ নম্বৰৰ বিলাসী গাড়ীখনত চোৰাং গৰু সৰবৰাহকাৰীয়ে উঠাই থকাৰ অৱস্থাত আৰক্ষীয়ে জব্দ কৰে। লগতে চোৰাং গৰু সৰবৰাহত জড়িত থকাৰ অভিযোগত আতাউৰ ৰহমান, ছফিকুল ইছলাম আৰু মুছাৰাফ হুছেইন নামৰ তিনিজন যুৱকক আৰক্ষীৰ দলটোৱে আটক কৰে। আৰক্ষীয়ে যোৱা নিশা জব্দ কৰা চোৰাং গৰুকেইটা চোৰাং গৰু সৰবৰাহকাৰীয়ে মেঘালয়লৈ নিয়াৰ চেষ্টা চলাইছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, আৰক্ষীয়ে জব্দ কৰা চোৰাং গৰুকেইটা আৰক্ষীয়ে গোশালালৈ প্ৰেৰণ কৰাৰ লগতে আটক কৰা চোৰাং গৰু সৰবৰাহকাৰী তিনিজনক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# তিনিচুকীয়াৰ দিলীপ চক্ৰৱৰ্তীলৈ কাৰাগাৰ প্ৰেৰণা বঁটা



**ই-সংবাদ, ডুমডুমা, ৪ জানুৱাৰীঃ** ‘কাৰাগাৰ প্ৰেৰণা বঁটা- ২০২৪’ৰ বাবে নিৰ্বাচিত হৈছে তিনিচুকীয়া জিলা কাৰাগাৰৰ এছিষ্টেণ্ট জেইলৰ দিলীপ চক্ৰৱৰ্তী। বঁটাৰ বাবে নিৰ্বাচিত অসমৰ ৭ গৰাকীৰ অন্যতম দিলীপ চক্ৰৱৰ্তীয়ে বিগত বৰ্ষৰ ২৬ জুলাইৰ পৰা তিনিচুকীয়া জিলা কাৰাগাৰত সেৱা আগবঢ়াই আহিছে। ইয়াৰ পূৰ্বে বহুকেইটা সন্মান লাভ কৰিবলৈ সক্ষম হোৱা দিলীপ চক্ৰৱৰ্তীয়ে ২০১১ চনত চাকৰিত যোগদান কৰিছিল।

# হাজোত নৈশ বেডমিন্টন

**ই-সংবাদ, হাজো, ৪ জানুৱাৰীঃ** পুহ মহীয়া জাৰে কপাইছে সমগ্ৰ ৰাজ্য। ইয়াৰ মাজতে কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ ঠায়ে ঠায়ে দেখা গৈছে নৈশ বেডমিন্টন প্ৰতিযোগিতা। হাড় কপোৱা জাৰক নেওচি যুৱক সকলৰ মাজত দেখা গৈছে বেডমিন্টন খেলৰ উন্মাদনা। হাজোৰ সাতদলা যুথ ষ্টাৰ ক্লাৱৰ উদ্যোগত অনুষ্ঠিত কৰা হৈছে এদিনীয়া দ্বৈত বেডমিণ্টন প্ৰতিযোগিতা। বিজেপি নেতা প্ৰকাশ দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে এই প্ৰতিযোগিতা। আনহাতে মুখ্য অতিথি হিচাপে উপস্থিত থাকে হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিষয়া নৰজিৎ নাথ। খেলৰ পূৰ্বে যুথ ষ্টাৰ ক্লাবৰ মুখ্য উদ্যোক্তা চাহিদ চান হকে আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত স্থানীয় কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এই বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ ভিন্ন প্ৰান্তৰ বিশটাকৈ দলে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ বিজয়ী দলে দহ হাজাৰ টকা আৰু এটা ট্ৰফী লাভ কৰাৰ বিপৰীতে ৰাণাৰ্চ আপ দলে লাভ কৰিব ছয় হাজাৰ টকা আৰু এটা ট্ৰফী। আনহাতে হাজোৰ মালিটোলাস্থিত দধিমথন নামঘৰ প্ৰাঙ্গণত দধিমথন বেডমিন্টন ক্লাৱৰ উদ্যোগত স্বৰ্গীয় অচ্যুত দাস আৰু স্বৰ্গীয় বিনোদ মালাকৰ সোঁৱৰণী দিবা নৈশ প্ৰাইজমানি দ্বৈত বেডমিন্টন প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাৰ বিজয়ী দলে লাভ কৰিব পাঁচ হাজাৰ এক টকা আৰু এটা ট্ৰফী আনহাতে ৰাণাৰ্চ আপ দলে লাভ কৰিব তিনি হাজাৰ এক টকা আৰু এটা ট্ৰফী।

# ইয়াজুল হক সোঁৱৰণী দিবা-নৈশ ক্ৰিকেট আৰম্ভ

**ই-সংবাদ, খুমটাই, ৪ জানুৱাৰীঃ** গোলাঘাটৰ আধাৰসত্ৰত বিগত বৰ্ষসমূহৰ দৰে এই বাৰো ২৪ সংখ্যক দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। মোক্তাৰ যুৱ সংঘৰ উদ্যোগত আৰু আধাৰসত্ৰবাসী ৰাইজৰ সহযোগত ২০০৮ চনৰ ৩০ অক্টোবৰৰ গুৱাহাটীৰ গণেশগুৰিৰ বোমা বিস্ফোৰণত নিহত প্ৰয়াত ইয়াজুল হক আৰু মোস্তাফিক আলি সোঁৱৰণী প্ৰাইজমাণি সদৌ অসম ভিত্তিক দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাখন ৭ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব। যোৱা নিশা এই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে গোলাঘাটৰ বিশিষ্ট চিকিৎসক ৰূপম দুৱৰাই। পতাকা উত্তোলন কৰে সমাজকৰ্মী কিস্মৎ আলীয়ে। সত্তৰটাৰো অধিক দলে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন স্থানীয় এমচিবি বয়জ ক্লাৱ আৰু গৌতম কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড একাদশৰ মাজত অনুষ্ঠিত হয়।



ছিডনী টেষ্টত ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়া দলৰ খেলুৱৈসকলৰ একাংশ, শনিবাৰে

**ওদালগুৰি ক্ৰিকেট সন্থাৰ বিৰুদ্ধে ক্ষোভ প্ৰাক্তন খেলুৱৈ, আম্পায়াৰৰ**

# ওদালগুৰিত ক্ৰিকেটৰ পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ

**ই-সংবাদ, ওদালগুৰি, ৪ জানুৱাৰীঃ** "ওদালগুৰি জিলা ক্ৰিকেট সন্থাই বিগত ১৫ বছৰে নিজৰ খিয়াল খুচি অনুসৰি কাম চলাই গৈছে। খেলুৱৈ, প্ৰাক্তন খেলুৱৈক কেৱল অৱজ্ঞা কৰি চলি গৈছে ওদালগুৰি জিলা ক্ৰিকেট সন্থা। যাৰ ফলত বিনষ্ট হৈছে ক্ৰিকেটৰ পৰিৱেশ" এই অভিযোগ ওদালগুৰি জিলাৰ খেলুৱৈ, প্ৰাক্তন খেলুৱৈ আৰু আম্পায়াৰৰ। বিগত প্ৰায় ১৫ বছৰে নিজৰ ইচ্ছা অনুসৰি চলাই নিয়া সন্থাৰ বিদায়ী সমিতিৰ সভাপতি-সাধাৰণ সম্পাদকসহ সমিতিখনৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰে এইসকল খেলুৱৈ, প্ৰাক্তন খেলুৱৈ আৰু আম্পায়াৰসকল। এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে তেওঁলোকে সংবাদ মাধ্যমৰ সন্মুখত প্ৰকাশ কৰে যে, "বিগত প্ৰায় ১৫ বছৰে এইসকল ক্ৰিকেট সন্থাৰ বিষয়ববীয়াই ক্ৰিকেট সন্থাৰ নীতি নিয়ম নামানি সংগঠনটো চলাই নিছে। আনকি নতুন সমিতি গঠন কৰাৰ সময়ত খেলুৱৈ, প্ৰাক্তন খেলুৱৈ আৰু আম্পায়াৰক কোনো ধৰণে গুৰুত্ব প্ৰদান নকৰে। ইয়াৰ পৰিৱৰ্তে নিজৰ পচন্দ অনুসৰি নিৰ্দিষ্ট কিছু লোকক মাতি নি নিজৰ ইচ্ছাৰে সমিতি গঠন কৰি কাম-কাজ চলাই নিয়ে।" যাৰ ফলত ওদালগুৰি জিলাত ক্ৰিকেটৰ পৰিৱেশ বিকাশত বাধাৰ সন্মুখীন হৈ অহা বুলিও উল্লেখ কৰে খেলুৱৈ, প্ৰাক্তন খেলুৱৈ, আম্পায়াৰসকলে। এই সন্দৰ্ভত ক্ষোভিত খেলুৱৈ, প্ৰাক্তন খেলুৱৈ আৰু আম্পায়াৰৰ পৰা জানিবলৈ বিচৰাত তেওঁলোকে কয়, "বিগত ১৫ বছৰে ওদালগুৰিৰ কোনো ক্ৰিকেটপ্ৰেমী ৰাইজে সন্থাৰ জমা-খৰচৰ হিচাপ লাভ কৰা নাই। ইয়াৰ বিৰুদ্ধে মাত মাতিলে খেলুৱৈসকল সমস্যাৰ সন্মুখীন হোৱাৰ ভয়ত মনে মনে থাকে।" বিষয়টো সন্দৰ্ভত সন্থাৰ সভাপতি ৰিহন দৈমাৰী অৱগত হয় নে নহয় তাক লৈও প্ৰশ্ন কৰে। ইফালে চলিত বৰ্ষত ৩ জানুৱাৰীৰ পৰা জিলাখনৰ নলবাৰী খেলপথাৰত আৰম্ভ হোৱা সপ্তম অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ সন্দৰ্ভতো সাংবাদিকৰ সন্মুখত মন্তব্য কৰি কেৱল মাত্ৰ এসপ্তাহতেই ফুটবলৰ খেলপথাৰ এখনত বৃহৎ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ অভিযোগ তোলে। উল্লেখ্য যে উক্ত ক্ৰিকেট প্ৰতিযোগিতাখন পৰিচালনা কৰাৰ বাবে অসম ক্ৰিকেট সন্থাই প্ৰতিখন জিলাকে ২.২৫ লাখ টকাকৈ প্ৰদান কৰাৰ কথা ঘোষণা কৰাৰ পাছতো ওদালগুৰি ক্ৰিকেট সন্থাই কিয় মাত্ৰ এসপ্তাহৰ ভিতৰতে খৰধৰকৈ এনেদৰে ক্ৰিকেট পিটচ্ বনালে তাক লৈও এতিয়া ক্ৰিকেটপ্ৰেমীৰ মাজত প্ৰশ্ন উত্থাপন হৈছে। এই সন্দৰ্ভত অসম ক্ৰিকেট সন্থাক ব্যৱস্থা গ্ৰহণৰ দাবী কৰি অন্যথা বিভিন্ন কাৰ্যসূচী হাতত লোৱাৰ কথা ক্ষোভিত খেলুৱৈ, প্ৰাক্তন খেলুৱৈ আৰু আম্পায়াৰসকলে জানিবলৈ দিছে।

# কামৰূপৰ ৰামপুৰত খেল মহাৰণৰ শুভাৰম্ভ

**ই-সংবাদ, মিৰ্জা, ৪ জানুৱাৰীঃ** কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি পলাশবাৰী বিধানসভা সমষ্টিৰ বাবে দুদিনীয়াকৈ অনুষ্ঠিত বিধানসভা সমষ্টি পৰ্যায়ৰ খেল মহাৰণ ২.০ৰ প্ৰতিযোগিতাসমূহৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই। উদ্বোধনী ভাষণ প্ৰদান কৰি মন্ত্ৰী নন্দিতা গাৰ্লোচাই কয় যে ৰাজ্যখনৰ ক্ৰীড়া প্ৰতিভাসমূহৰ উৎকৰ্ষ সাধনৰ বাবে এখন মঞ্চ প্ৰদানৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা খেল মহাৰণ ২.০ৰ প্ৰতিযোগিতাই ৰাজ্যখনত এক ক্ৰীড়াৰ পৰিৱেশ গঢ়ি তোলাত সহায় কৰিব। কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সচিব কে জে হিলালীয়েও ভাষণ প্ৰদান কৰে। আজিৰ অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক প্ৰদীপ টিমুং, কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈ, কামৰূপ জিলাৰ জিলা ক্ৰীড়া বিষয়া সত্যব্ৰত গগৈ, বিশিষ্ট সমাজসেৱক অঞ্জন গোস্বামী, গোলাপ মালাকাৰ, সুকুমাৰ মেধি, ৰূপা ঠাকুৰীয়া, ভাৰতী কলিতাকে ধৰি জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, খেলুৱৈ আৰু ভালেসংখ্যকলোক উপস্থিত থাকে। আজি অনুষ্ঠিত ক্ৰীড়া প্ৰতিযোগিতাত প্ৰায় ১৩০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)।
মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি